# NEWSPAPER CLIPPINGS

# JHUMUR

## HELD ON 24TH FEBRUARY 2025




**ASSAM LEGISLATIVE ASSEMBLY, SECRETARIAT**
**LIBRARY BRANCH**

# Contents


Asomiya Khabar ........ 1
Asomiya Pratidin ........ 2
Dainandin Barta ........ 3
Dainik Agradoot ........ 7
Dainik Batori Kakot ........ 9
Dainik Janambhumi ........ 10
Dainik Yugsankha ........ 14
Niyamiya Brata ........ 17
The Assam Tribune ........ 22
The Sentinel ........ 24

Asomiya Khabar

TUESDAY, 25 FEBRUARY 2025

ফোন নং: ০৩৬১— ২৪৭৭২৯১, ২৪৭৭২৯২ চতুৰ্বিংশতিতম বছৰ সংখ্যা ১০৪ মঙ্গলবাৰ ১২ ফাগুন ১৯৪৬ শক ২৫ ফেব্ৰুৱাৰী ২০২৫ চন ASOMIYA KHABAR GUWAHATI TUESDAY 25 FEBRUARY 2025 দাম: ৭.০০ টকা

মাদল-ধমচা-তালৰ সুৰধ্বনি, হেজাৰ হেজাৰ লোকৰ উপস্থিতিত ২৩ জিলাৰ ৯ সহস্ৰাধিক শিল্পী-কলাকুশলীৰ বিনন্দীয়া নৃত্য

# ঝুমুইৰ বিনন্দিনীত নিজকে উত্তৰ পূৰ্বাঞ্চলৰ ব্ৰেণ্ড এম্বাছাদৰ বুলি ক'লে মোডীয়ে

'এজন চাইবালাতকৈ কোনে মোতকৈ অধিক জানিব চাহ বাগিচাৰ সুগন্ধি'

ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী : বিশ্ব অভিলেখৰ তালিকাত স্থান পালে অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ জাতীয় নৃত্য-গীত ঝুমুইৰ সমূহীয়া বৰ্ণিল প্ৰদৰ্শনে। সোমবাৰে সৰুসজাই ষ্টেডিয়ামত আয়োজন কৰা বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীত উপস্থিত অভ্যাগতৰ উপৰিও বিশ্বজুৰি বিমুগ্ধ হৈ পৰিল দৰ্শনাৰ্থীসকল। ৮৮৮৮ ঝুমুইৰ শেষাংশ ৬ পৃষ্ঠাত



ঝুমুইৰ বিনন্দিনী... অসমৰ চিৰসেউজ চাহ বাগিচাৰ মাজৰ পৰা বিশ্বমুখী যাত্ৰাৰে অগণন জনতাক সাক্ষী কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সন্মুখত গঢ়িলে অভিলেখ, মহানগৰীৰ সৰুসজাই ষ্টেডিয়

## ঝুমুইৰ বিনন্দিনীত নিজকে উত্তৰ পূৰ্বাঞ্চলৰ ব্ৰেণ্ড এম্বাছাদৰ বুলি ক'লে মোডীয়ে

নৃত্যশিল্পী আৰু বাদ্যযন্ত্ৰীৰ দ্বাৰা প্ৰদৰ্শন কৰা এই আকৰ্ষণীয় কাৰ্যসূচীয়ে ৰাজ্যত বিহু নাচৰ দৰেই গীনিজ বুকত স্থান লাভৰ নিশ্চিতি প্ৰদান কৰিলে। উল্লেখ্য যে ৰাজ্যবাসীৰ বাবে গৌৰৱৰ এই শুভক্ষণত সাক্ষী হ'ল দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। সমান্তৰালভাৱে আজি সন্ধিয়াৰে পৰা বিনিয়োজন আৰু আন্তঃগাঁথনি সন্মিলনৰ উদ্দেশ্যেৰে আয়োজন কৰা এডভাণ্টেজ আছাম ২.০ ৰ কাৰ্যসূচীত ভাগ ল'বলৈ অহা হেজাৰোধিক বিনিয়োগকাৰী, ৰাজনৈতিক প্ৰতিনিধি আদিও মন্ত্ৰমুগ্ধ হৈ পৰিল সৰুসজাই ষ্টেডিয়ামৰ বাককিত। নিজৰ চমু বক্তব্যৰ সমান্তৰালভাৱে এখন বিশেষ বাহনত প্ৰধানমন্ত্ৰীয়ে ঝুমুইৰ শিল্পীসকলৰ কাষে কাষে গৈ অভিবাদন জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে শিল্পীসকলৰ প্ৰতিঅভিবাদনো গ্ৰহণ কৰা দেখা গ'ল। বক্তব্যৰ মাজতে আৱেগিক হৈ পৰা প্ৰধানমন্ত্ৰীয়ে আনকি নিজৰ বাল্যকালৰ স্মৃতি সুঁৱৰি উপস্থিতসকলক সম্বোধন কৰে। নিজৰ ভাষণত চাহ বাগিচাৰ সুগন্ধি এজন চাইবালাতকৈ অধিক কোনে জানিব বুলিও উল্লেখ কৰি বাগিচাৰ শিল্পীসকলৰ সৈতে আত্মিক হৈ পৰে। ঝুমুইৰ বিনন্দিনী-২০২৫ শীৰ্ষক অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে আজিৰ পৰিৱেশ দৰাচলতে শক্তি, উৎসাহ আৰু উত্তেজনাৰে ভৰা এক উপভোগ্য অনুষ্ঠান। চাহ বাগিচাৰ সুগন্ধি আৰু সৌন্দৰ্য প্ৰতিফলিত কৰা ঝুমুইৰ সকলো শিল্পীয়ে পৰিৱেশন কৰা আকৰ্ষণীয় নৃত্য মন্ত্ৰমুগ্ধ দৃষ্টিৰে লক্ষ্য কৰে। ঝুমুইৰ আৰু চাহ বাগিচাৰ সংস্কৃতিৰ সৈতে যিদৰে বাইজৰ আত্মিক সম্পৰ্ক আছে, এই সম্পৰ্কৰ সৈতে তেওঁৰো সংযোগ আছে বুলি উল্লেখ কৰে। ইমান বৃহৎ সংখ্যক শিল্পীয়ে ঝুমুইৰ নৃত্য পৰিৱেশন কৰিলে নিশ্চিতভাৱে অভিলেখ গঢ়িব। বিগত ২০২৩ বৰ্ষত ১১ হেজাৰোধিক শিল্পীয়ে বিহু নৃত্য পৰিৱেশন কৰি অভিলেখ গঢ়া পৰিৱেশৰ স্মৃতিচাৰণ কৰে মোডীয়ে। তেওঁ কয় যে বিহু আৰু ঝুমুইৰ দুয়োটা অভিলেখ সৃষ্টিকাৰী কাৰ্যসূচীত উপস্থিত থাকিবলৈ পোৱাটো সৌভাগ্যৰ কথা। আজীৱন এই অভিজ্ঞতা অবিস্মৰণীয় হৈ থাকিব। সাংস্কৃতিক কাৰ্যসূচী মনোমোহা আৰু শৃংখলাবদ্ধৰূপত আয়োজন কৰাৰ লগতে পৰিৱেশনত সফল হোৱাৰ বাবে মোডীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে অসমৰ বাবে আজিৰ এই মুহূৰ্ত অতিকৈ গৌৰৱ আৰু আনন্দৰ ক্ষণ। চাহ জনগোষ্ঠী আৰু জনজাতীয় ৰাইজে অংশগ্ৰহণ কৰা এই বৰ্ণাঢ্য কাৰ্যসূচীত ভাগ লোৱা সকলোৰে প্ৰতি প্ৰধানমন্ত্ৰীয়ে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। এনেধৰণৰ অনুষ্ঠান ভৱিষ্যতৰ বাবে কেৱল গৌৰৱৰ সাক্ষ্যই নহয়, অসমৰ এই পদক্ষেপে ভাৰতৰ মহান বৈচিত্ৰ্যৰ চানেকী দাঙি ধৰা বুলিও উল্লেখ কৰে। এসময়ত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ সাংস্কৃতিক দিশৰ লগতে উন্নয়নৰ ক্ষেত্ৰত অৱহেলিত হৈ আছিল। কিন্তু তেওঁ নিজেই উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ বিকাশৰ লগতে বাসিন্দাসকলৰ উত্তৰণৰ বাবে প্ৰচেষ্টা চলাই আহিছে। যাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ব্ৰেণ্ড এম্বেচাদৰ বুলিও প্ৰধানমন্ত্ৰীয়ে নিজকে অভিহিত কৰে। অসমৰ কাজিৰঙাত পূৰ্বে নৈশ যাপন কৰি যোৱা প্ৰসংগ উত্থাপন কৰি ৰাষ্ট্ৰীয় অভয়াৰণ্যখনৰ জৈৱ বৈচিত্ৰ্যক বিশ্বৰ আগত প্ৰচাৰ কৰা প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী বুলিও আঙুলিয়াই দিয়ে। কেইমাহমানৰ পূৰ্বে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা প্ৰসংগ উনুকিয়াই দি কয় মোডীয়ে কয় যে ইয়াৰ বাবে ৰাজ্যবাসীয়ে দশকৰ পাছত দশক ধৰি অপেক্ষা কৰি আছিল। চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ইউনেস্কোৰ দ্বাৰা অন্তৰ্ভুক্ত হোৱাৰ প্ৰসংগও দাঙি ধৰে। এই কাৰ্য কেৱল দিল্লী আৰু দিছপুৰৰ বৰ্তমানৰ শাসকীয় চৰকাৰখনৰ বাবেহে সম্ভৱ হোৱা বুলি ক'বলৈ নাপাহৰিলে। মোগলৰ বিৰুদ্ধে যুঁজ দি অসমৰ বীৰ যোদ্ধা লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী ৰাজধানী দিল্লীত উদ্‌যাপন কৰা বিষয়টো আলোকপাত কৰে। আনকি গণৰাজ্য দিৱসৰ পেৰেডত লাচিত বৰফুকনৰ বিষয়ে অন্তৰ্ভুক্ত হোৱা বুলিও স্মৰণ কৰে। ১২০ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰি বীৰ যোদ্ধাজনৰ কৃতিত্ব দেশে-বিদেশে প্ৰচাৰ কৰাৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। অসম চৰকাৰে উন্নয়নৰ সমান্তৰালভাৱে চাহ জনজাতিসকলৰ প্ৰতি আন্তৰিকতাৰে সেৱা আগবঢ়াই অহা বুলি নিজৰ বক্তব্যত মন্তব্য কৰে। চাহ নিগমৰ শ্ৰমিকসকলৰ আয় বৃদ্ধিৰ বাবে বোনাচ দিয়া হয়। চাহ বাগিচাত থকা ১.৫ লাখ মহিলাক আৰ্থিকভাৱে সহায় কৰা হৈছে। গৰ্ভাৱস্থাত চিন্তামুক্ত কৰিবলৈ ১৫ হেজাৰকৈ টকা দিয়া হৈছে। চাহ বাগিচাৰ বাসিন্দাৰ পৰিয়ালৰ স্বাৰ্থৰ উন্নতিৰ বাবে ৩৫০ তকৈ অধিক আয়ুষ্মান আৰোগ্য কেন্দ্ৰ স্থাপন কৰা হৈছে। শিশুসকলৰ বাবে ১০০ তকৈ অধিক বিদ্যালয় স্থাপন কৰা হৈছে। আগন্তুক সময়ত অন্য ১০০ খন বিদ্যালয় স্থাপনৰ পৰিকল্পনা লৈছে। চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ অ'বিচি সংৰক্ষিত কোটাৰ ভিতৰত ৩ শতাংশ প্ৰদানৰ সিদ্ধান্ত কৰা হৈছিল। লগতে শিল্পীসকলক গইপতি ২৫ হেজাৰকৈ টকা অসম চৰকাৰে কৰা ঘোষণাৰ বাবে প্ৰশংসা কৰে। ৰাজ্যত চাহ উদ্যোগ আৰু শ্ৰমিকসকলৰ উন্নয়নে উত্তৰ-পূৰ্বাঞ্চলক নতুন উচ্চতালৈ আগুৱাই নিব বুলিও নিজৰ মন্তব্যত উল্লেখ কৰে। অসমৰ চাহ উদ্যোগৰ ২০০ বছৰীয়া ইতিহাসৰ লগত সংগতি ৰাখি চাহ জনজাতি আৰু আদিবাসী সমাজৰ জাতীয় নৃত্য-গীত ঝুমুইৰ এই প্ৰদৰ্শনে ৰাজ্যৰ চহকী লোকসংস্কৃতি দাঙি ধৰা বুলিও দেশৰ প্ৰধানমন্ত্ৰীয়ে উচ্চ প্ৰশংসাৰে উপচাই পেলায়।

# Asomiya Pratidin

## MONDAY, 24 FEBRUARY 2025



অসমৰ দুশ বছৰীয়া চাহ উদ্যোগৰ বৰ্ণিল ইতিহাসৰ বৰ্ণাঢ্য উপস্থাপন

**বিমুগ্ধ প্ৰধানমন্ত্ৰী-ভিন্ন দেশৰ প্ৰতিনিধি**

# দৃষ্টিনন্দন ঝুমইৰৰ বিশ্ব অভিলেখ

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ বৰ্ণিল ইতিহাস, বিনন্দীয়া কৃষ্টি-সংস্কৃতিৰ বৰ্ণাঢ্য উপস্থাপনেৰে এক বিৰল মুহূৰ্তৰ সাক্ষী হ'ল সৰুসজাই ষ্টেডিয়াম। এটি কলি দুটি পাতৰ আঁৰৰ চহকী কলা-কৃষ্টি-সংস্কৃতিৰ দৃষ্টিনন্দন দৃশ্যত বিমুগ্ধ হ'ল হেজাৰ হেজাৰ লোক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ৬২ খন দেশৰ ৰাষ্ট্ৰদূতৰ উপস্থিতিত ৰঙা পাৰিৰ শুভ্ৰ শাড়ী পৰিহিতা ■ ৮ পৃষ্ঠাত

**লোকাৰণ্য সৰুসজাই ষ্টেডিয়ামৰ মায়াময় পৰিবেশত আঠ সহস্ৰাধিক শিল্পী, কলা-কুশলীয়ে একেলগে পৰিবেশন কৰিলে ঝুমইৰ ঃ ৰঙা পাৰিৰ শুভ্ৰ শাড়ী পৰিহিত চাহ জনগোষ্ঠীয় গাভৰুৰ নৃত্যত উদ্বেলিত পৰিবেশ, মাদল, ধমচা, বাঁহী, তালৰ শব্দত মুখৰ চৌদিশ ৮০০ চাহ বাগিচাত অনুষ্ঠান হ'ল পোনপটীয়া সম্প্ৰচাৰ**



গণ্য-মান্য লোক উপস্থিত থাকে।

## দৃষ্টিনন্দন ঝুমইৰৰ বিশ্ব অভিলেখ

চাহ বাগিচাৰ গাভৰুৰ নৃত্যৰ ছন্দ, চাহ বাগিচাৰ ডেকাৰ মাদল, ধমচা, বাঁহী, তাল আদিৰ শব্দত ৰজনজনাই উঠিল সৰুসজাইৰ আকাশ-বতাহ। সৰ্বত্ৰ মাথোঁ নিনাদিত হ'ল আখড়া বন্দনা কৰি... সৰস্বতী মাই গ' বলি... আখড়া বন্দনা ব্ৰজ নাৰী... মনতে ঝুমইৰ লাগল' ভাবি। অসমৰ চাহ উদ্যোগৰ দুশবছৰীয়া ইতিহাস, চহকী কৃষ্টি-সংস্কৃতিত বিশ্ব অভিলেখ সৃষ্টি কৰি সৰুসজাই ষ্টেডিয়ামত ৮ সহস্ৰাধিক শিল্পী, কলা-কুশলীয়ে একেলগে আজি পৰিৱেশন কৰিলে ঝুমইৰ নৃত্য। প্ৰথমবাৰৰ বাবে এখন মঞ্চত একেলগে ৮ সহস্ৰাধিক শিল্পীয়ে হাতে হাত ধৰি নিজস্ব ছন্দ, ভংগিমাত ঝুমইৰ নৃত্য পৰিৱেশনৰ দৃশ্য প্ৰত্যক্ষ কৰি এক কথাত বিমুগ্ধ হৈ পৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগতে সৰুসজাই ষ্টেডিয়ামত উপস্থিত হেজাৰ হেজাৰ লোক। চাহ জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ প্ৰাণকলা, উচ্ছ্বাসভৰা প্ৰদৰ্শনে আজিৰ এই মুহূৰ্তই স্বাভাৱিকতেই চাহ বাগিচা আৰু আদিবাসী সমাজৰ পৰম্পৰাক প্ৰদান কৰিলে এক বিশ্বজনীন মাত্ৰা। উল্লেখযোগ্য যে অসমৰ চাহ বাগিচা আৰু আদিবাসী সমাজৰ সংস্কৃতিৰ অন্যতম ঝুমইৰ নৃত্যক বিশ্বৰ দৰবাৰলৈ নিয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰথমবাৰৰ বাবে আয়োজন কৰে 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক কাৰ্যসূচী। এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে যোৱা কেইবাদিনো ধৰি জিলাই জিলাই চলে বিৰামহীন প্ৰস্তুতি। মূল প্ৰশিক্ষকসকলৰ নেতৃত্বত ৰাজ্যৰ চুকে-কোণে ঝুমইৰ শিল্পীসকলক নিশা-দিনে দিয়া হয় প্ৰশিক্ষণ। ইয়াৰ পিছত শিল্পী, কলা-কুশলীসকলক লৈ অহা হয় গুৱাহাটীলৈ। যোৱা তিনি দিন ধৰি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত পূৰ্ণ অনুশীলনৰ অন্তত আজি আহি পৰে সেই মধুৰ ক্ষণ। সৰুসজাই ষ্টেডিয়ামত ৰঙা পাৰিৰ শুভ্ৰ শাড়ী পৰিহিত গাভৰুসকলৰ লগতে বগা সাজ পৰিহিত ডেকাসকলে সীতাপটি, হাঁচলি, ঝুমকা, চন্দ্ৰ আদি পৰম্পৰাগত অ-অলংকাৰ পৰিধান কৰি, লোকবাদ্যসমূহ লৈ শাৰী পাতি গভীৰ আগ্ৰহেৰে অপেক্ষা কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীসহ অন্যান্য অতিথিসকললৈ। এটা সময়ত বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে সৰুসজাই ষ্টেডিয়ামত 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। সমান্তৰালভাৱে অনুষ্ঠানত উপস্থিত থাকে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী এছ জয়শংকৰ, সৰ্বানন্দ সোনোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা, অসম চৰকাৰৰ মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি অন্যান্য মন্ত্ৰী, সাংসদ, বিধায়কসকল। একেলগে এডভান্টেজ আসামৰ বাবে অহা ৬২ খন দেশৰ ৰাষ্ট্ৰদূতো। 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ সাক্ষী হ'বলৈ সৰুসজাই ষ্টেডিয়ামত উপস্থিত হয়। 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানটো বাইজৰ মাজতো আছিল পাকতগা উচাহ। দুপৰীয়া ভাগৰ পৰাই সৰুসজাই ষ্টেডিয়ামলৈ সোঁত বৈছিল হেজাৰ হেজাৰ লোকৰ। কম সময়ৰ ভিতৰতে সৰুসজাই ষ্টেডিয়ামৰ সকলো আসন দৰ্শকেৰে পূৰ্ণ হৈ পৰে। পৰিস্থিতি এনে পৰ্যায় পালেগৈ যে আসনৰ অভাৱত অগণন লোকে প্ৰৱেশ কৰিব নোৱাৰিলে ষ্টেডিয়ামৰ ভিতৰত। এনে এক উথপথপ পৰিৱেশৰ মাজত ৰাষ্ট্ৰীয় সংগীত আৰু অসম সংগীত পৰিৱেশনেৰে আৰম্ভ হয় 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক কাৰ্যসূচীৰ। ইয়াৰ পিচতে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সমবেত শিল্পী, কলা-কুশলী, ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ইয়াৰ লগে লগে আহে সেই মধুৰ ক্ষণ। বাজি উঠা সংগীত, মাদল, ধমচা, বাঁহীৰ শব্দৰ তালে তালে ৮ সহস্ৰাধিক কলা, শিল্পী, কুশলীয়ে পৰিৱেশন কৰে 'বিনন্দীয়া ঝুমইৰ' লোক নৃত্য। হেজাৰ হেজাৰ দৰ্শকৰ হৰ্ষোল্লাসৰ মাজত ৮ সহস্ৰাধিক শিল্পীৰ কেইবামিনিট ধৰি 'ঝুমইৰ' নৃত্য প্ৰদৰ্শনৰ নয়নাভিৰাম দৃশ্যই মোহাচ্ছন্ন কৰিলে সকলোকে। এক কথাত আজিৰ ২৪ ফেব্ৰুৱাৰীৰ দিনটো অসমৰ চাহ বাগিচা আৰু আদিবাসী সমাজৰ কলা-কৃষ্টি-সংস্কৃতিৰ মিলনস্থলীত পৰিণত হয় সৰুসজাই ষ্টেডিয়াম। ঝুমইৰ নৃত্যৰ পিচতে নানাৰঙী আলোকৰ দৃষ্টিনন্দন উপস্থাপনে মায়াময় পৰিৱেশৰ সৃষ্টি কৰে সৰুসজাই ষ্টেডিয়ামত। মন কৰিবলগীয়া যে আসনৰ অভাৱত ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিলেও সৰুসজাই ষ্টেডিয়ামৰ বাহিৰত লগোৱা ইলেক্ট্ৰনিক স্ক্ৰীনতে অসংখ্য লোকে উপভোগ কৰে ঝুমইৰ নৃত্যৰ মনোমোহা অনুষ্ঠান। সমান্তৰালভাৱে অসম চৰকাৰে আজি টিভি, প্ৰজেক্টৰৰ জৰিয়তে ৰাজ্যৰ ৮০০ খন চাহ বাগিচাতো সৰুসজাইৰ 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে।

# Dainandin Barta

## MONDAY, 24 FEBRUARY 2025


‘ঝুমইৰ বিনন্দিনী’ শীৰ্ষক অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰীক অসমবাসীৰ হৈ আন্তৰিক অভিনন্দন জ্ঞাপন মুখ্যমন্ত্ৰীৰ

# ঝুমইৰ অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান

গুৱাহাটীৰ সৰু সজাই ক্ৰীড়া প্ৰকল্পত আঠ সহস্ৰাধিক শিল্পীয়ে প্ৰদৰ্শন কৰিলে ঝুমইৰ নৃত্য চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ গৌৰৱময় ক্ষণ হৈ ৰ’ব ‘ঝুমইৰ’ প্ৰদৰ্শন ঃ চাহ জনজাতি আৰু আদিবাসী লোকসকলে তেওঁলোকৰ কলা-সংস্কৃতিৰে অসমীয়া জাতিৰ কলা-সংস্কৃতিক সমৃদ্ধ কৰি তুলিছে ঃ মুখ্যমন্ত্ৰী





## মুখ্যমন্ত্ৰীৰ উপস্থিতিত ‘এড্‌ভান্টেজ আছাম ২.০’ শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি খানাপাৰাত আয়োজিত প্ৰদৰ্শনীস্থলী পৰিদৰ্শন প্ৰধানমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ ফেব্ৰুৱাৰী ঃ** অসমৰ চাহৰ দুশ বছৰ পূৰ্ণ হোৱাৰ ঐতিহাসিক ক্ষণ উদ্‌যাপন উপলক্ষে আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আয়োজিত ‘ঝুমইৰ বিনন্দিনী’ শীৰ্ষক অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অসমৰ বিভিন্ন জিলা সামৰি চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ আঠ সহস্ৰাধিক শিল্পীয়ে ঝুমইৰ নৃত্য পৰিৱেশন কৰি সমগ্ৰ পৰিৱেশ বৰ্ণিল কৰি তোলা এই অনুষ্ঠানটোত ৰাজ্যপাল লক্ষ্মণ ■ ৮ পৃষ্ঠাত

# ঝুমইৰ অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান

প্ৰসান আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰ, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহায়ো অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত শিল্পীসকলে ঝুমইৰ প্ৰদৰ্শনৰ জৰিয়তে এক মনোৰম পৰিৱেশৰ সূচনা কৰে। উল্লেখ্য, বিশ্বদৰবাৰত ঝুমইৰ নৃত্যক জনপ্ৰিয়কৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই বৃহৎ অনুষ্ঠানৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চৌপাশে পৰিভ্ৰমণ কৰি শিল্পী, কলা-কুশলী তথা উপস্থিত ৰাইজক অভিবাদন জনায়। অভিবাদন জনোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰীক সংগ দিয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো অসমবাসীৰ বাবে অমিত উজ্জ্বল দিন বুলি অভিহিত কৰি কয় যে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰথম অসম ভ্ৰমণৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অসমবাসীৰ হৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। অসমবাসীৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ কাম কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ প্ৰয়াসৰ বাবে চৰাইদেউ মৈদামক ইউনেস্কোৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ উপৰি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ লগতে এইবাৰৰ বাজেটত নামৰূপ সাৰ কাৰখানাৰ উৎপাদন ক্ষমতা ১২ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ প্ৰয়াসৰ বাবেই নামৰূপ সাৰ কাৰখানাও উজ্জীৱিত হৈ উঠিব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ চাহ জনগোষ্ঠী, আদিবাসী লোকসকলৰ এক সমৃদ্ধ ইতিহাস আছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা কৰ্মঠ, উদ্যমী ব্যক্তিসকল অসমলৈ আহি অসমকে মাতৃভূমি হিচাপে গণ্য কৰি ২০০ বছৰ পূৰ্বে উদ্যোগীকৰণৰ বিশাল ভেটি নিৰ্মাণ কৰিছিল। তেওঁ কয় যে চাহ জনজাতি আৰু আদিবাসী লোকসকলে তেওঁলোকৰ কলা-সংস্কৃতিৰে অসমীয়া জাতিৰ কলা-সংস্কৃতিক সমৃদ্ধ কৰি তুলিছে। চাহ উদ্যোগৰ ২০০ বছৰীয়া এই গৌৰৱময় ক্ষণটোত জনগোষ্ঠীটোৰ প্ৰায় আঠ সহস্ৰাধিক যুৱক-যুৱতীয়ে হৃদয়ৰ স্পন্দন ঝুমইৰ নৃত্যক প্ৰদৰ্শন কৰিবলৈ আগবাঢ়িছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। জনগোষ্ঠীটোৰ অমূল্য অৱদানৰ কথা সোঁৱৰি মুখ্যমন্ত্ৰীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ প্ৰথম মহিলা শ্বহীদ মালতী মেম, অসম আন্দোলনৰ শ্বহীদ বাখৰা ওৰাওঁক শ্ৰদ্ধাৰে স্মৰণ কৰে। অসমৰ চাহ বাগিচাৰ লোকসকলে অসমীয়া ভাষাক নিজৰ ভাষা হিচাপে আদৰি লৈ অসমীয়া ভাষা-কৃষ্টি সংস্কৃতিক অধিক সমৃদ্ধ কৰি তুলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আজিৰ এই ঝুমইৰ প্ৰদৰ্শন চাহ জনজাতি আৰু আদিবাসী লোকৰ প্ৰতি অসমবাসীৰ কৃতজ্ঞতা বুলি মন্তব্য কৰে। চাহ বাগিচাৰ লোকৰ বাবে ৰাজ্য চৰকাৰে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিত ৩ শতাংশ সংৰক্ষণ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিচাত হাইস্কুল নিৰ্মাণ আৰু ৩০০ টাতকৈও অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ কৰা হৈছে। চাহ বাগিচাৰ লাইনৰ মাটি চাহ জনগোষ্ঠী আৰু আদিবাসীসকলক প্ৰদান কৰা হ'ব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। আজিৰ এই ঝুমইৰ প্ৰদৰ্শন এক সোণালী ক্ষণ হৈ ৰ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ৩ মাহ ধৰি যুৱক-যুৱতীসকলে এই ঝুমইৰ প্ৰদৰ্শন সফল কৰাৰ বাবে আপ্ৰাণ প্ৰচেষ্টা গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতসকল আহি আজিৰ এই অনুষ্ঠানত উপস্থিত হৈছে। তেওঁ কয় যে ঝুমইৰ হৈছে অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান। ঝুমইত অসমৰ চাহ বাগিচাৰ লোকসকলে অসম ভূমিক কিদৰে আপোন মাতৃ হিচাপে লৈছে তাৰ বৰ্ণনা আছে। সেইবাবে প্ৰতিগৰাকী অসমীয়াই ঝুমইক লৈ গৌৰৱ অনুভৱ কৰিব পাৰে বুলিও তেওঁ মন্তব্য কৰে। আজিৰ এই গৰিমামণ্ডিত অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, কেইগৰাকী সাংসদ, বিধায়ক, বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আদিকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পিছতে বিশ্বৰ কেইবাখনো ৰাষ্ট্ৰৰ প্ৰতিনিধি আৰু বিশ্বজনীয় বিনিয়োগকাৰীসকলৰ অংশগ্ৰহণেৰে কাইলৈৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া 'এডভান্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত প্ৰদৰ্শনী স্থলী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনীয়ে দেশৰ কেইবাটাও অগ্ৰণীৰ উদ্যোগ প্ৰতিষ্ঠান তথা ৰাজ্যখনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে নিজৰ ঔদ্যোগিক দিশসমূহ প্ৰতিফলিত কৰে। উল্লেখ্য যে, এই প্ৰদৰ্শনীৰ জৰিয়তে অসমত উদ্যোগ খণ্ডৰ সম্ভাৱনীয়তাৰ দিশসমূহো দাঙি ধৰা হৈছে। আনহাতে, প্ৰদৰ্শনস্থলীত অসমৰ কেইবাখনো জিলাৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰদ্বাৰা উৎপাদিত বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনস্থলী পৰিদৰ্শন কালত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, তথ্য-প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা উপস্থিত থাকে।



**এটি কলি দুটিপতীয়া জীৱনৰ লহৰত লালপাৰীয়াৰ ছন্দ ঃ মাদলৰ তালত ঝুমুৰ পটীয়সীৰ অভিলেখকাৰী নৃত্য!**

DNIS

# সৌউজস্পন্দনত প্ৰাণৱন্ত অসম

**গুৱাহাটীত ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণ কৰি চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঃ প্ৰায় আঠ সহস্ৰাধিক ঝুমইৰ নৃত্য শিল্পীৰ নৃত্যৰ সাক্ষী হ'ল ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহুজন**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ২৪ ফেব্ৰুৱাৰী ঃ** আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশাল আয়োজনেৰে অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী ২০২৫ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত বিশাল সভাত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই অনুষ্ঠানটোৱে শক্তি, উৎসাহ আৰু উত্তেজনাৰ প্ৰতিধ্বনিৰে ভৰা এক পৰিৱেশৰ সৃষ্টি কৰিছে। চাহ বাগিচাৰ সুগন্ধি আৰু সৌন্দৰ্য প্ৰতিফলিত কৰা ঝুমুইৰ নৃত্যৰ বাবে সকলো শিল্পীয়ে কৰা আকৰ্ষণীয় প্ৰস্তুতিৰ কথাও তেওঁ লক্ষ্য কৰে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ঝুমুৰ আৰু চাহ বাগিচাৰ সংস্কৃতিৰ সৈতে বাইজৰ যিদৰে বিশেষ সম্পৰ্ক আছে, ঠিক তেনেদৰে তেওঁৰো ইয়াৰ সৈতে একে ধৰণৰ সংযোগ আছে। তেওঁ লগতে কয় যে আজি ইমান বৃহৎসংখ্যক শিল্পীয়ে একেলগে ঝুমুৰ নৃত্য পৰিৱেশন কৰি অভিলেখ গঢ়িলে। ২০২৩ চনত ১১ হাজাৰ শিল্পীয়ে বিহু নৃত্য পৰিৱেশন কৰি অভিলেখ ৰচনা কৰাৰ সময়ত অসম ভ্ৰমণৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এয়া তেওঁৰ বাবে এক অবিস্মৰণীয় ■ ৮ পৃষ্ঠাত

## প্ৰথম পৃষ্ঠাৰ পৰা—

# সেঁউজস্পন্দনত প্ৰাণৱন্ত অসম

স্মৃতি। এনে এক সুন্দৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে অসম চৰকাৰ আৰু অসমৰ মুখ্যমন্ত্ৰীক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে আজি অসমৰ বাবে গৌৰৱৰ দিন, এই বৃহৎ উদ্‌যাপনত চাহ জনগোষ্ঠীৰ বাইজে অংশগ্ৰহণ কৰিছে। এই বিশেষ দিনটোতে তেওঁ সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। এনে অনুষ্ঠান কেৱল অসমৰ গৌৰৱৰেই সাক্ষ্য নহয়, ই ভাৰতৰ মহান বৈচিত্ৰ্যও প্ৰদৰ্শন কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে উন্নয়ন আৰু সংস্কৃতিৰ দিশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চল অৱহেলিত হৈ আছিল। তেওঁ লগতে এইবুলিও কয় যে এতিয়া তেওঁ নিজেই উত্তৰ-পূবৰ সংস্কৃতিৰ ব্ৰেণ্ড এম্বেছাদৰ হৈ পৰিছে। তেওঁ উল্লেখ কৰে যে তেওঁ অসমৰ কাজিৰঙাত থাকি ইয়াৰ জৈৱ-বৈচিত্ৰ্যক বিশ্বৰ আগত প্ৰচাৰ কৰা প্ৰথমজন প্ৰধানমন্ত্ৰী। তেওঁ লগতে উল্লেখ কৰে যে কেইমাহমানৰ পূৰ্বে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছিল, যিটো স্বীকৃতিৰ বাবে অসমৰ জনসাধাৰণে দশক দশক ধৰি অপেক্ষা কৰি আছিল। ইয়াৰ উপৰি চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। এয়া চৰকাৰৰ প্ৰচেষ্টাৰ বলতেই লাভ কৰা এক উল্লেখযোগ্য কৃতিত্ব বুলি তেওঁ উল্লেখ কৰে। মোগলৰ বিৰুদ্ধে অসমৰ সংস্কৃতি আৰু পৰিচয় ৰক্ষা কৰাৰ অৰ্থে বীৰত্বৰে যুঁজ দিয়া বীৰ যোদ্ধা লাচিত বৰফুকনৰ কথা উল্লেখ কৰি মোদীয়ে লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ বিষয়ত আলোকপাত কৰে। মোদীয়ে কয় যে গণৰাজ্য দিৱসৰ পেৰেডত বীৰ যোদ্ধাগৰাকীৰ টেবলোও অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে অসমত লাচিত বৰফুকনৰ ১২৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। জনজাতীয় সমাজৰ ঐতিহ্য উদ্‌যাপনৰ বাবে জনজাতীয় গৌৰৱ দিৱসৰ কথাও তেওঁ উল্লেখ কৰে। জনজাতীয় সাহসী ব্যক্তিসকলৰ অৱদানক অমৰ কৰি ৰাখিবলৈ সমগ্ৰ দেশতে জনজাতীয় সংগ্ৰহালয় স্থাপন কৰা হৈছেবুলিও তেওঁ লগতে কয়। চৰকাৰে অসমৰ উন্নয়ন আৰু 'চাহ জনজাতি' জনগোষ্ঠীক সেৱা আগবঢ়োৱাৰ অৰ্থে নিৰন্তৰ কাম কৰি থকা বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে অসম চাহ নিগমৰ শ্ৰমিকসকলৰ আয় বৃদ্ধিৰ বাবে বোনাচ ঘোষণাৰ বিষয়ত আলোকপাত কৰে। তেওঁ চাহ বাগিচাত থকা প্ৰায় ১.৫ লাখ মহিলাক প্ৰদান কৰা সহায়ৰ বিষয়তো গুৰুত্ব আৰোপ কৰে। যিসকল মহিলাই গৰ্ভাৱস্থাত আৰ্থিক চিন্তা দূৰ কৰিবলৈ ১৫,০০০ টকা লাভ কৰিছে। ইয়াৰ উপৰি অসম চৰকাৰে পৰিয়ালসমূহৰ স্বাস্থ্যৰ উন্নয়নৰ বাবে চাহ বাগিচাত ৩৫০ৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ মুকলি কৰিছে বুলিও তেওঁ লগতে কয়। মোদীয়ে উল্লেখ কৰে যে চাহ জনগোষ্ঠীৰ শিশুসকলৰ বাবে ১০০খনতকৈও অধিক চাহ বাগিচাৰ মডেল বিদ্যালয় মুকলি কৰা হৈছে আৰু ১০০খন বিদ্যালয়ৰ পৰিকল্পনা কৰা হৈছে। তেওঁ চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ বাবে অ'বিচি কোটাত ৩% সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে অসম চৰকাৰে আত্মসংস্থাপনৰ বাবে প্ৰদান কৰা ২৫ হাজাৰ টকাৰ সাহায্যৰ কথাও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে আস্থা প্ৰকাশ কৰে যে চাহ উদ্যোগ আৰু ইয়াৰ শ্ৰমিকসকলৰ উন্নয়নে অসমৰ সামগ্ৰিক বৃদ্ধিত সহায় কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলক নতুন উচ্চতালৈ উন্নীত কৰিব। তেওঁ ঝুমুৰ নৃত্যত অংশগ্ৰহণ কৰা সকলো অংশগ্ৰহণকাৰীকে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে শুভেচ্ছা জনায়। আজিৰ এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহা, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আজি অনুষ্ঠিত অভিলেখ সৃষ্টিকাৰী ঝুমুৰ বিনন্দিনী ২০২৫ অনুষ্ঠানত অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ ৮,০০০গৰাকী লোকনৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানে অন্তৰ্ভুক্তি, একতা আৰু সাংস্কৃতিক গৌৰৱৰ আত্মাক মূৰ্ত কৰি তোলাৰ লগতে অসমৰ সংমিশ্ৰিত সাংস্কৃতিক বৈচিত্ৰ্যতাৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। এই বিশাল ঝুমইৰ অনুষ্ঠানটো অসমৰ চাহ উদ্যোগৰ ২০০বছৰীয়া উদ্যোগীকৰণৰ প্ৰতীক হিচাপেও চিহ্নিত হৈছে।

# Dainik Agradoot

## MONDAY, 24 FEBRUARY 2025

বিমানকোঠৰ পৰা সৰুসজাইলৈ পথৰ কাষে কাষে প্ৰধানমন্ত্ৰীক আদৰণি ■ চাহ বাগিচাৰ লাইনৰ মাটি চাহ জনগোষ্ঠী-আদিবাসীকে প্ৰদান কৰা হ'ব ঃ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰী শৰ্মাৰ

# ঝুমইৰ বিনন্দিনীয়ে আপ্লুত কৰিলে

■ সুধাকণ্ঠৰ 'অসম আমাৰ ৰূপহী'ৰ তালে তালে জনতাক সম্ভাষণ মোদীৰ ঃ ৮,৮০০ শিল্পীয়ে ১৬ মিনিট ধৰি প্ৰদৰ্শন কৰিলে নৃত্য ঃ ঘাইপথত তীব্ৰ যানজঁটৰ সৃষ্টি



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ অসমৰ চাহ উদ্যোগৰ দুশ বছৰীয়া গৌৰৱময় ইতিহাসক সোঁৱৰণ আৰু জনগোষ্ঠীটোৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি আজি অসম চৰকাৰৰ উদ্যোগত আয়োজিত 'ঝুমইৰ বিনন্দীয়া' অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত ৮,৮০০ৰো অধিক শিল্পীয়ে ঝুমইৰ নৃত্য প্ৰদৰ্শন কৰে। ৰাজ্যৰ বিভিন্ন চাহ বাগিচাৰ পৰা অহা শিল্পী সকলে প্ৰদৰ্শন কৰা ১৬ মিনিটজোৰা এই নৃত্য উপভোগ কৰি প্ৰধানমন্ত্ৰী মোদী আপ্লুত হৈ পৰে। সন্ধিয়া সাত বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীক আদৰণি জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'ঝুমইৰ' অসমীয়া সংস্কৃতিৰ উৎকৃষ্ট উপাদান বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱনৰ ইতিহাসত আজিৰ দিনটো এক অমৃত উজ্জ্বল দিন। প্ৰায় দুশ বছৰ পূৰ্বে জীৱিকাৰ তাগিদাত বিহাৰ, পশ্চিমবংগ, উৰিষ্যা, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এচাম উদ্যমী কৰ্মঠ ভাৰতীয়ৰ পবিত্ৰ অসমলৈ আগমন হৈছিল। এইসকল লোকে অসমকে নিজৰ মাতৃভূমিৰূপে গ্ৰহণ কৰি সময়ৰ সোঁতত হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। অসমৰ চাহ উদ্যোগৰ প্ৰসাৰত এওঁলোকে মূল ভূমিকা লৈ দুশ বছৰ আগতে অসমত ঔদ্যোগীকৰণৰ এক বিশাল ভেটি নিৰ্মাণ কৰিলে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অমূল্য অৱদান আগবঢ়াই কলা-সংস্কৃতি, ৰীতি-নীতিৰে অসমৰ চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলে অসমীয়া জাতিক সমৃদ্ধ কৰিলে। কালক্ৰমত তেওঁলোকে চাহ জনগোষ্ঠী, আদিবাসী হৈ পৰিল। অসমৰ চাহ উদ্যোগৰ দুশ বছৰীয়া গৌৰৱময় ইতিহাসৰ আঠ পৃষ্ঠাত চাওক

# ঝুমইৰ বিনন্দিনীয়ে আপ্লুত কৰিলে

*এক পৃষ্ঠাৰ পৰা* সৌঁৰৱণ আৰু জনগোষ্ঠীটোৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তাৰ আন্তৰিক প্ৰয়াসৰূপে আজি অসমৰ চাহ জনগোষ্ঠী লোকৰ হৃদয়াৰ স্পন্দন 'ঝুমইৰ' প্ৰদৰ্শন কৰা হৈছে।' জনগোষ্ঠীটোৰ অমূল্য অবদানৰ কথা দোহাৰি মুখ্যমন্ত্ৰীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ প্ৰথম মহিলা ছহিদ মালতী মেম, অসম আন্দোলনৰ ছহিদ বাধনা ওৰাঙক শ্ৰদ্ধাৰে স্মৰণ কৰি কয় যে অসমৰ চাহ বাগিচাৰ লোকসকলে অসমীয়া ভাষাক নিজৰ ভাষাৰূপে আদৰি লৈ অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতিক অধিক সমৃদ্ধ কৰি তুলিছে। চাহ বাগিচাৰ লোকৰ বাবে ৰাজ্য চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত তিনি শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'চাহ বাগিচাত হাইস্কুল নিৰ্মাণ আৰু তিনিশটাৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ কৰা হৈছে।' চাহ বাগিচাৰ লাইনৰ মাটি চাহ জনগোষ্ঠী আৰু আদিবাসীসকলক প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ইফালে, আজিৰ এই ঝুমইৰ প্ৰদৰ্শনি এক সোণালী ক্ষণ হৈ ৰ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা তিনিমাহ ধৰি যুৱক-যুৱতীসকলে এই ঝুমইৰ প্ৰদৰ্শন সফল কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। এই অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতসকল আহি উপস্থিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰি পুনৰ কয়, 'ঝুমইৰ হৈছে অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান। ঝুমইৰত অসমৰ চাহ বাগিচাৰ লোকসকলে অসম ভূমিক কিদৰে আপোন মাতৃৰূপে লৈছে তাৰ বৰ্ণনা আছে। সেইবাবে প্ৰতিগৰাকী অসমীয়াই ঝুমইৰক লৈ গৌৰৱ অনুভৱ কৰিব পাৰে।' লগতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰূপে তৃতীয়বাৰলৈ কাৰ্যভাৰ গ্ৰহণ কৰি প্ৰথমবাৰ অসমলৈ অহা প্ৰধানমন্ত্ৰীক উষ্ম আদৰণি জনাই চৰাইদেউ মৈদামৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা আৰু নামৰূপৰ সাৰ কাৰখানাৰ নতুন গোট স্থাপনৰ কাৰণে লোৱা সিদ্ধান্তৰ বাবে ৰাজ্যবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰে।

## সুধাকণ্ঠৰ গীতৰ তালে তালে জনতাক সম্ভাষণ জনালে প্ৰধানমন্ত্ৰীয়ে

ইফালে, সন্ধিয়া প্ৰায় ছয় বজাত বিমানকোঠত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীজনে ৰাষ্ট্ৰীয় ঘাইপথৰে সৰুসজাই ক্ৰীড়া প্ৰকল্পত উপস্থিত হয়। বিমানকোঠত প্ৰধানমন্ত্ৰীজনক অসমীয়া কৃষ্টি-সংস্কৃতিৰে বিপুল আদৰণি জনোৱা হয় আৰু যাত্ৰাৰ সময়ছোৱাত পথৰ দুয়োকাষে ৰৈ থকা শ শ লোকে প্ৰধানমন্ত্ৰীজনক আদৰণি জনায়। সন্ধিয়া প্ৰায় ৬-৫০ বজাত প্ৰধানমন্ত্ৰীয়ে 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ চৌহদত উপস্থিত হোৱাৰ পাছতে হৰ্ষোল্লাসত মুখৰিত হৈ পৰে সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পৰ চৌপাশ। ইয়াৰ পাছতে ৭.৪ মিনিটত ষ্টেডিয়ামৰ ভিতৰত প্ৰধানমন্ত্ৰী মোদী প্ৰৱেশ কৰাৰ পাছতে হাত চাপৰিৰে তেওঁক আদৰণি জনোৱা হয়। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লগত লৈ এখন বেটাৰী চালিত বাহনত উঠি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দেশৰ সূৰ্য উঠাৰ দেশ'ৰ তালে তালে খেলপথাৰখনৰ চৌদিশ পৰিভ্ৰমণ কৰি উপস্থিত থকা জনতাক সম্ভাষণ জনায়। এই অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰ, কেন্দ্ৰীয় জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, কেইবাগৰাকী সাংসদ, বিধায়ক, বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## খেলপথাৰত ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিলে বহুজনে ঃ তীব্ৰ যানজঁট

আনহাতে, এই অনুষ্ঠান সুচাৰুৰূপে পৰিচলনা কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহে তৎপৰ আছিল যদিও বহুতেই খেলপথাৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সক্ষম নহ'ল। উল্লেখ্য যে এই অনুষ্ঠানৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা হেজাৰ হেজাৰ লোকৰ গুৱাহাটীলৈ আগমন ঘটে। বিশেষকৈ শাসকীয় দলটোৰ বিধায়কসকলৰ সমষ্টিসমূহৰ উপৰি গুৱাহাটী আৰু কাষৰীয়া সমষ্টিসমূহৰ বহু লোক এই অনুষ্ঠানলৈ আহিছিল। নিৰ্দিষ্ট সময়ত তেওঁলোক খেলপথাৰত প্ৰৱেশ কৰিছিল যদি সাধাৰণ শ্ৰেণীৰ নাগৰিকৰ গেলাৰীৰ আসন ভৰি পৰাত বহুজনে বাহিৰতে অপেক্ষা কৰিবলগীয়া হয়। অৱশ্যে বহু লোকে সুযোগ বুজি বিভিন্ন প্ৰৱেশ পথেৰে ভিতৰত সোমাবলৈ চেষ্টা কৰাত এটা সময়ত গেট নম্বৰ তিনিকে ধৰি কেইখনো গেট আৰক্ষী-প্ৰশাসনে বন্ধ কৰি দিয়ে। আনহাতে, ঝুমইৰ মূল অনুষ্ঠানৰ পূৰ্বে তথা মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰদান কৰি থকা সময়ত কেইবাজনো শিল্পী অচেতন হৈ পৰে আৰু তেওঁলোকক লগে লগে সংশ্লিষ্ট স্থানত থকা অস্থায়ী চিকিৎসা কেন্দ্ৰলৈ লৈ যোৱা হয়। একাংশ শিল্পীয়ে অভিযোগ কৰা অনুসৰি, দুপৰীয়া প্ৰায় এক বজাৰৰ পৰা তেওঁলোকে অনুশীলন কৰি আছে। প্ৰধানমন্ত্ৰী উপস্থিত প্ৰাক্‌ক্ষণত প্ৰায় আধা ঘণ্টা আৰু উপস্থিত হোৱাৰ পাছত প্ৰায় এক-ডেৰ ঘণ্টা তেওঁলোক থিয় হৈ থাকিবলগীয়া হোৱাৰ বাবেই দুই-এজন অসুস্থ হৈ পৰে বুলি কয়। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ আগমনক লৈ ৰাষ্ট্ৰীয় ঘাইপথছোৱা দীৰ্ঘসময় বন্ধ কৰি থোৱাৰ ফলত তীব্ৰ যানজঁটৰ সৃষ্টি হয়।

# Dainik Batori Kakot

## MONDAY, 24 FEBRUARY 2025

সৰুসজাইত মোডী ঃ ঐতিহাসিক ক্ষণৰ সাক্ষী অসমবাসী

## ঝুমইৰ বিনন্দিনী চাই অভিভূত প্ৰধানমন্ত্ৰী

### চাহৰ সোৱাদ এজন চাহৱালৰ বাহিৰে কোনে জানে ঃ মোডী

ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰ'ল অসমবাসী। ঝুমইৰৰ বিশ্বমুখী যাত্ৰাৰ সাক্ষী হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ঝুমইৰ বিনন্দিনী উপভোগ কৰিবলৈ সৰুসজাইত উপস্থিত হোৱা মোদীয়ে তেওঁক জনোৱা উষ্ম আদৰণিত অভিভূত হৈ পৰে। অসমীয়া আৰু বাগানীয়া ভাষাত ভাষণ আৰম্ভ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়— চাহৰ গোন্ধো আছে, সুন্দৰতাও আছে। এজন চাইৱালাই অনুভৱ কৰিব পাৰে এই কথা।' তেওঁ কয়— 'সম্পূৰ্ণ ষ্টেডিয়ামখন গুঞ্জৰিত হৈ পৰিছে। ইয়াত কেৱল সকলোফালে ঝুমইৰ দেখা গৈছে। চাহৰ সোৱাদ এজন চাহৱালাৰ বাহিৰে আৰু কোনে জানে। চাহ বাগানৰ সৈতে আপোনালোকৰ যেনে সম্পৰ্ক মোৰো তেনে সম্পৰ্ক। ইয়াৰ পূৰ্বে ২০২৩ত অসমলৈ আহিছিলোঁ। তেতিয়া ১১হাজাৰ নাচনীয়ে বিহুনৃত্য প্ৰদৰ্শন কৰিছিল।' ঝুমইৰ বিনন্দনীৰ দৰে বিশাল আয়োজন কৰা বাবে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰীক শুভেচ্ছা জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে।

■ এঘাৰ পৃষ্ঠাত





বাতৰি কাকত

## ঝুমইৰ বিনন্দিনী চাই অভিভূত প্ৰধানমন্ত্ৰী

তেওঁ কয়— 'এইধৰণৰ ভব্য আয়োজনে অসমৰ গৌৰৱ বঢ়াইছে। এই আয়োজনে ভাৰতৰ বিচিত্ৰতাক প্ৰতিফলিত কৰিছে। অসমক অনুভৱ কৰিবলৈ আজি ৰাষ্ট্ৰদূতসকল অসমলৈ আহিছে। এটা সময়ত অসম উপেক্ষিত হৈ আছিল। আনকি, ইয়াৰ সংস্কৃতিও নজৰলৈ অহা নাছিল। এতিয়া মোদীৰ নেতৃত্বত উন্নয়ন হৈছে।' কাজিৰঙাক লৈ মোদীয়ে প্ৰশংসা কৰে মুখ্যমন্ত্ৰীক। তেওঁ কয়, 'অসমৰ ৰাইজে অসমীয়া ভাষাৰ ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বাবে বৈ আছিল। এতিয়া সেয়া হৈ উঠিল। অসমীয়া ভাষাক ধ্ৰুপদী ভাষা আৰু চৰাইদেউ ময়দানক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা দিয়া হৈছে। লগতে লাচিত বৰফুকনৰ নাম বিশ্বত প্ৰতিষ্ঠিত কৰা হ'ল।'

3. Date.

Future Article/Letter to the Editors.

# Dainik Janambhumi

## MONDAY, 24 FEBRUARY 2025

| by | Date and Time |
|---|---|
| partment | 24.02.2025 (3:00 PM) |
| ler | 25.02.2025 (5:00 PM) |
| ler | 24.03.2025 (10:00 PM) |
| ler | 25.02.2025 (5:00 PM) |
| ler | 24.03.2025 (10:00 PM) |
| ler | 25.02.2025 (5:00 PM) |
| ler | 24.03.2025 (10:00 PM) |
| ler | 25.02.2025 (5:00 PM) |
| ler | 24.03.2025 (10:00 PM) |
| ng DFO | 25.03.2025 (11:30 AM) |
| ng DFO | 25.03.2025 (11:30 AM) |

Divisional Forest Officer,
dooma Division, Doomdooma

n of PLVs

dents of Golaghat District only for
tached.
2025.



ফটো ঃ বেব কুমাৰ বৰা

নক্ষে ৮ সহস্ৰাধিক চাহ বাগিচাৰ শিল্পীক লৈ সৰুসজাইত অনবদ্য উদ্‌যাপন

## ইতিহাস ৰচি বিদ্যুৎ-আলোকিত নিশাৰ নান্দনিক দৃশ্য

# প্ৰধানমন্ত্ৰীৰ সন্মুখত ঝুমইৰৰ চমক

**প্ৰধানমন্ত্ৰীয়ে ধমচা বজাই শুভাৰম্ভ কৰিলে 'ঝুমইৰ বিনন্দিনী'ৰ বিশাল নৃত্য**

**■ অভিভূত মোদীয়ে ক'লে ঃ চাহৰ ৰং আৰু সুগন্ধিক এজন চাহৱালাতকৈ কোনে বুজি পাব?**

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ মাদলৰ ছেও আৰু ঝুমইৰ ছন্দত ছন্দায়িত হ'ল সৰুসজাই। ৰঙা পাৰীৰ বগা শাড়ী পৰিহিত শিল্পীয়ে সৰুসজাইত সৃষ্টি কৰিলে এক অনৱদ্য ইতিহাসৰ। ন-ৰূপেৰে প্ৰাণৱন্ত হৈ পৰিল ৰাজ্যৰ 'সেউজীয়া সংস্কৃতি'। মাদল-বাঁহীৰ সুমধুৰ সুৰৰ তালে তালে নাচি নাচি আঠ হাজাৰৰো অধিক চাহ বাগিচাৰ নৃত্যশিল্পীয়ে নিশাৰ বিদ্যুৎ আলোকিত পৰিৱেশত এনে এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিলে, যিটো

৪ পিঠিলৈ



# প্ৰধানমন্ত্ৰীৰ সন্মুখত...

অবিস্মৰণীয় হৈ ৰ'ব। দুশ বছৰীয়া চাহ সংস্কৃতিৰ এই বিশ্বমুখী যাত্ৰাৰ সাক্ষী হৈ ৰ'ল হাজাৰ হাজাৰ লোক। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে আয়োজন কৰা 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক অনুষ্ঠান আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ৬১খন বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধিসহ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ লোকে প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে। মুঠ ১৬ মিনিট ৩২ ছেকেণ্ডৰ এই নৃত্যৰ অনুষ্ঠান প্ৰাণভৰি উপভোগ কৰে প্ৰতিগৰাকী দৰ্শকে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী মোদীয়ে জাপি আৰু চাহ পাতেৰে সজ্জিত এখন খোলা গাড়ীত উঠি সৰুসজাই ষ্টেডিয়ামত এপাক ঘূৰে। তেওঁক সংগ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সেই সময়ত ষ্টেডিয়ামৰ চৌদিশে সুধাকণ্ঠৰ কালজয়ী গীত 'অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ' শীৰ্ষক গীতটো বাজি থকা শুনা যায়। ডিঙিত গামোচা লৈ প্ৰধানমন্ত্ৰীয়ে নৃত্যানুষ্ঠানত অংশগ্ৰহণ কৰাসকলৰ অভিবাদন গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক অসমৰ চাহ, আদিবাসীসকলৰ ধনু-কাঁড় আৰু মুগাৰ গামোচাৰে সম্ভাষণ জনায়। আনহাতে মঞ্চত উঠিয়েই প্ৰধানমন্ত্ৰীগৰাকীয়ে ধমচা বজাই সকলোকে আহ্লাদিত কৰি অভিনৱ নৃত্যানুষ্ঠানটোৰ সূচনা কৰে। ঝুমইৰৰ বিশ্বমুখী যাত্ৰাৰ সাক্ষী হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়া আৰু আদিবাসীসকলৰ ভাষাত ভাষণ আৰম্ভ কৰি কয়— 'আজি উল্লাস, উৎসাহেৰে সমগ্ৰ ষ্টেডিয়াম গুঞ্জৰিত হৈ পৰিছে। ঝুমইৰ নৃত্যত চাহ বাগানৰ সুগন্ধ আৰু সুন্দৰতা নিহিত হৈ আছে। চাহৰ সোৱাদ, সুগন্ধ আৰু ৰং এগৰাকী চাহবালাৰ বাহিৰে আন কোনে বুজি পাব? চাহ আৰু ঝুমইৰৰ সৈতে আপোনালোকৰ যিদৰে সম্পৰ্ক আছে মোৰো সম্পৰ্ক আছে।' ইয়াৰ পূৰ্বে বিহুৱে বিশ্ব অভিলেখ গঢ়াৰ সময়ত অসমলৈ অহাৰ কথা ব্যক্ত কৰি তেওঁ লগতে কয় যে ২০২৩ চনত এঘাৰ হাজাৰ লোকে বিহু নৃত্যৰে ৰেকৰ্ড গঢ়িছিল। সেই দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰোঁ। আনকি টিভিত দেখাসকলেও মোক সুধি থাকে সেই বিহুৰ কথা।' প্ৰধানমন্ত্ৰীগৰাকীয়ে এনে সাংস্কৃতিক আয়োজনৰ বাবে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ দি লগতে কয়— 'অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসী মানুহৰ বাবে আজি এক গৌৰৱৰ দিন। এনে ধৰণৰ আয়োজনত অসমৰ গৌৰৱেই নহয়, ভাৰতৰ বিবিধতাও প্ৰকাশ পায়। আজিৰ অনুষ্ঠানত বহুসংখ্যক বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি উপস্থিত থকাৰ কথা ব্যক্ত কৰি মোদীয়ে এসময়ত অসম উত্তৰ-পূবৰ বিকাশক কেন্দ্ৰীয় চৰকাৰে উপেক্ষা কৰা বুলিও মন্তব্য কৰে। তেওঁ কয়— 'এসময়ত বিকাশেই নহয় অঞ্চলটোৰ সাংস্কৃতিক দিশটোও আওকাণ কৰা হৈছিল। পিছে আজি উত্তৰ-পূবৰ সাংস্কৃতিক ৰেণ্ড এম্বেছাদৰ মোদী নিজেই হৈ পৰিছে। কাজিৰঙাত নিশা কটোৱা প্ৰথম প্ৰধানমন্ত্ৰীওময়েই আছিলোঁ। কাজিৰঙাৰ জৈৱ বৈচিত্ৰ্যৰ কথা বিশ্ববাসীক ময়েই অৱগত কৰিছিলোঁ।' আনহাতে কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ কথা উল্লেখ কৰি তেওঁ লগতে কয় যে অসমীয়া লোকে এই স্বীকৃতিৰ বাবে দশক দশক ধৰি অপেক্ষা কৰিছিল। একেদৰে চৰাইদেউৰ মৈদামকো বিশ্ব ঐতিহ্যৰ স্বীকৃতি দিছিল বিজেপি চৰকাৰে। মোগলক হৰুৱাই অসমক ৰক্ষা কৰা লাচিত বৰফুকনৰো জন্ম জয়ন্তী পালন কৰিছিল বিজেপি চৰকাৰেই। গণৰাজ্য দিৱসতো লাচিত বৰফুকনৰ কথা দেশ- বিশ্ববাসীক জনোৱাৰ দিহা কৰা হৈছিল। ইফালে অসমৰ ৰাজ্যপালগৰাকী আদিবাসী সন্তান বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে বিজেপিয়ে জনজাতীয় সমাজৰ নায়ক-নায়িকাৰ গৌৰৱ গাথা জীয়াই ৰখাৰ বাবে মিউজিয়াম নিৰ্মাণ কৰিছে। ইফালে ৰাজ্যৰ বিজেপি চৰকাৰখনে অসমৰ বিকাশৰ লগতে চাহ জনগোষ্ঠীৰ সেৱাও কৰিছে বুলি জনাই তেওঁ কয় যে চাহ বাগিচাৰ শ্ৰমিকৰ আয় বৃদ্ধিৰ লগতে চাহ নিগমে শ্ৰমিকৰ বোনাছো ঘোষণা কৰিছে। গৰ্ভৱতীসকলক পোন্ধৰ হাজাৰ টকা দিয়া হৈছে, যাতে স্বাস্থ্যৰ ক্ষেত্ৰত ব্যয় কৰিব পাৰে। অসম চৰকাৰে চাহ বাগানত তিনিশতকৈও অধিক আয়ুষ্মান মন্দিৰ, শতাধিক মডেল স্কুল আৰম্ভ কৰিছে। অনাগত দিনতো এশ নতুন মডেল স্কুল খোলা হ'ব। 'অ' বি চি কোটাত তিনি শতাংশ সংৰক্ষণ কৰিছে। স্বনিয়োজনৰ বাবে ২৫ হাজাৰ টকা প্ৰদানেৰে সহায় কৰিছে। অসমৰ বিকাশে নতুন শিখৰ চুব বুলিও মন্তব্য কৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে। মন কৰিবলগীয়া কথা যে ঝুমইৰ বিনন্দীয়া অনুষ্ঠানত মুঠ ২৭খন জিলাৰ ৯,৬৪৮গৰাকী নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ভিতৰত মহিলা নৃত্যশিল্পী হৈছে ৫৩৯৯গৰাকী, পুৰুষ নৃত্যশিল্পী ২,১৭৫গৰাকী আৰু বাদ্যশিল্পী হৈছে ২,০৭৪গৰাকী। ইয়াৰ পূৰ্বে কেতিয়াও একে স্থানত একে সময়তে ইমান বৃহৎসংখ্যক শিল্পীয়ে পৰিবেশন কৰা নাছিল ঝুমইৰ নৃত্য। ইফালে অনুষ্ঠানত ঝুমইৰ লগতে শব্দ আৰু পোহৰৰ এক বৰ্ণিল 'লেজাৰ শ্ব'ও প্ৰদৰ্শন কৰা হয়।

তৃতীয় কাৰ্যকালত দিয়া ৩টা উপহাৰৰ বাবে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন

# ঝুমইৰ অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান ঃ মুখ্যমন্ত্ৰী

**গুৱাহাটী ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ ৰাজ্যৰ জাতীয় জীৱনৰ ইতিহাসত আজিৰ দিনটো এক অমৃত উজ্জ্বল দিন। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত 'ঝুমইৰ বিনন্দীয়া' অনুষ্ঠানত আদৰণী ভাষণ দি

৮ পিঠিলৈ

## ঝুমইৰ অসমীয়া সংস্কৃতিৰ...

*এক পিঠিৰ পৰা* মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'প্ৰায় দুশ বছৰৰ পূৰ্বে জীৱিকাৰ তাগিদাত বিহাৰ, ছত্তিশগড়, ওড়িশা, মধ্য প্ৰদেশ আদি বিভিন্ন প্ৰান্তৰৰ পৰা এচাম উদ্যমী-কৰ্মঠ ভাৰতীয়ৰ অসমলৈ আগমন ঘটিছিল। এইসকল লোকে অসমলৈ আহি অসমকে নিজৰ মাতৃভূমি হিচাপে গ্ৰহণ কৰি সময়ৰ সোঁতত হাড়ে হিমজুৱে অসমীয়া হৈ পৰিল। অসমৰ চাহ উদ্যোগৰ প্ৰসাৰত তেওঁলোকে মূল ভূমিকা লৈ দুশ বছৰৰ পূৰ্বেই অসমত ঔদ্যোগীকৰণৰ ভেটি স্থাপন কৰিছিল। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অমূল্য অৱদান আগবঢ়াই কলা-সংস্কৃতি, ৰীতি-নীতিৰে অসমৰ চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলে জাতিক সমৃদ্ধ কৰিলে। কালক্ৰমত তেওঁলোকেই চাহ জনগোষ্ঠী, আদিবাসী হৈ পৰিল। 'ঝুমইৰ বিনন্দীয়া' অনুষ্ঠান আয়োজনৰ আঁৰৰ কথা অবগত কৰি তেওঁ কয়, 'অসমৰ চাহ উদ্যোগৰ দুশ বছৰীয়া গৌৰৱৰ সোঁৱৰণত আৰু জনগোষ্ঠীটোৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এক আন্তৰিক প্ৰয়াস হিচাপে আজি ৮৮০০ ৰো অধিক যুৱক-যুৱতীৰ দ্বাৰা অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ হৃদয়ৰ স্পন্দন ঝুমইৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। আজি আমি গৌৰবেৰে মনত পেলাম অসমৰ সংস্কৃতি আৰু অসমৰ কলা-সৃষ্টিলৈ চাহ জনগোষ্ঠী লোকসকলৰ বৰঙনিৰ কথা। দেশৰ স্বাধীনতাৰ আন্দোলনৰ সময়ত অসমৰ মহিলা শ্বহীদ তেজপুৰৰ মালতি মেম, অসম আন্দোলনৰ শ্বহীদ বাধনা ওৱাঙৰ লগতে যিসকল লোকে অসমীয়া ভাষাক নিজৰ ভাষা বুলি আদৰি লৈ আমাৰ ভাষা-কৃষ্টি-সংস্কৃতিক সমৃদ্ধ কৰিলে, সেইসকলক অসমবাসীৰ হৈ কৃতজ্ঞতা জনায় মুখ্যমন্ত্ৰীয়ে। আনহাতে, বহু লোকে ঝুমইৰ নৃত্য ছত্তিশগড়, ঝাৰখণ্ডৰ পৰা আহিছে বুলি কৰি অহা মন্তব্যৰ সন্দৰ্ভত তেওঁ কয়, 'প্ৰকৃততে সেয়া নহয়। এই নৃত্যত অসমৰ চাহ বাগিচাৰ সন্তানসকলে অসমৰ ভূমিক লৈ কৰা অৱদানৰ কথা বৰ্ণনা নিহিত হৈ আছে। তেওঁলোকে কেনেকৈ অসম মাতৃক আদৰি লৈছে সেয়া তেওঁলোকৰ নৃত্য-গীতত প্ৰতিফলিত হৈছে। এই ঝুমইৰ অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান। এই নৃত্যক লৈ চাহ জনগোষ্ঠী নহয়, সকলো অসমীয়ায়ো গৌৰৱ কৰিব।' ইফালে, অসমত চৰকাৰী চাকৰিত তৃতীয় আৰু চতুৰ্থ বৰ্গত তিনি শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি জনাই তেওঁ লগতে কয়, চাহ বাগিচাত তিনিশৰো অধিক হাইস্কুল নিৰ্মাণ, আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ কৰা হৈছে। চাহ বাগিচাৰ লাইনত বাস কৰাসকলক আমি মাটিৰ অধিকাৰ দিম। চাহ বাগিচাত বাস কৰাসকলেই সেই ভূমি লাভ কৰিব। আনহাতে, আজি আমাৰ বাবে গৌৰৱৰ সোণোৱালী ক্ষণ বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে ঝুমইৰ নৃত্য প্ৰদৰ্শনৰ বাবে তিনি মাহ ধৰি যুৱক-যুৱতীসকলে আপ্ৰাণ চেষ্টা চলাইছে। এই অনুষ্ঠানলৈ বৈদেশিক মন্ত্ৰী এছ জয় শংকৰৰ উদ্যোগত বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধিসকল অহাৰ বাবেও তেওঁ ধন্যবাদ জনায়। উল্লেখযোগ্য যে ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰি আজিৰ দিনটো আমাৰ বাবে সৌভাগ্যৰ দিন বুলি উল্লেখ কৰে। তেওঁ কয় যে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হোৱাৰ পাছত মোদী প্ৰথমবাৰৰ বাবে অসমলৈ আহিছে। মোদীৰ বাবেই অসমৰ তিনিটা বৃহৎ কাম সম্পূৰ্ণ হ'ল। চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভ কৰাৰ লগতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰে। এই দুয়োটা স্বীকৃতিয়ে অসমবাসীক গৌৰৱান্বিত কৰিলে। আনহাতে, নামৰূপ সাৰ কাৰখানা পুনৰুজ্জীৱিত কৰাৰ বাবে কেন্দ্ৰীয় বাজেটত নতুন এটা গোট স্থাপন কৰাৰ বাবে যি ঘোষণা কৰিলে, তাৰবাবে অসমবাসীৰ হৈ তেওঁ ধন্যবাদ জ্ঞাপন কৰে। আনকি সৰুসজাই ষ্টেডিয়ামত থকা সকলোৱে মুখ্যমন্ত্ৰীৰ আহ্বানত থিয় হৈ হাততালিৰে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।



**ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'বলৈ সকলোৰে উছাহ**

# সৰুসজাই ষ্টেডিয়ামত অভাৱনীয় ভিৰ

## হাতত পাছ লৈও ষ্টেডিয়ামত প্ৰৱেশত ব্যৰ্থ বহুজন ■ পৰিস্থিতি নিয়ন্ত্ৰণত নামি পৰিল দুই মন্ত্ৰী পীযূষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ 'ঝুমইৰ বিনন্দিনী'ক কেন্দ্ৰ কৰি সৰুসজাই ষ্টেডিয়াম আজি বাহিৰে-ভিতৰে লোকাৰণ্য হৈ পৰে। চৌদিশে এক অভাৱনীয় ভিৰ পৰিলক্ষিত হয়। আনকি প্ৰৱেশৰ বাবে দীৰ্ঘসময় ধৰি অপেক্ষা কৰি থাকিবলগীয়া হয় কেইবাজনো বিধায়ক। আনহাতে হাজাৰ হাজাৰ লোকে ষ্টেডিয়ামত প্ৰৱেশ কৰাৰ বাবে চেষ্টা চলায় যদিও ষ্টেডিয়ামৰ ভিতৰত থকা আসন পূৰ্ণ হৈ

৮ পিঠিলৈ

# সৰুসজাই ষ্টেডিয়ামত...

*এক পিঠিৰ পৰা* থকাত তেওঁলোকক প্ৰৱেশ কৰিবলৈ দিয়া নহয়। প্ৰৱেশ-পত্ৰ হাতত লৈও ষ্টেডিয়ামত প্ৰৱেশ কৰাত ব্যৰ্থ হয় বহুজন। যাৰ ফলত ক্ষুভিত একাংশ লোকে ষ্টেডিয়ামৰ বাহিৰত থকা আৰক্ষীৰ বেৰিকেড ভাঙি আগুৱাই যাবলৈ চেষ্টা কৰে। অৱশ্যে পাছত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। জনসাধাৰণৰ এই ভিৰ দেখি ষ্টেডিয়ামৰ পৰা বাহিৰলৈ আহি পৰিস্থিতি নিয়ন্ত্ৰণত মন্ত্ৰী পীযূষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱা নামি পৰাও পৰিলক্ষিত হয়। মন কৰিবলগীয়া কথা যে আজি পুৱাৰে পৰাই সৰুসজাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকৰ সোঁত বয়। হুইল চেয়াৰত বহিও সৰুসজাইলৈ আহিল বহুকেইগৰাকী দিব্যাংগ ব্যক্তি। ক'বলৈ গ'লে পুৱাৰে পৰা বোৱা এই জনস্ৰোতৰ বাবে বিয়লিলৈ সৰুসজাই জনসমুদ্ৰ হৈ পৰে। সকলোৱেই বিশ্ব দৰবাৰলৈ নিয়াৰ প্ৰয়াসেৰে আয়োজন কৰা 'সেউজীয়া সংস্কৃতি'ৰ এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'ব খোজে। আনহাতে এই অনুষ্ঠান উপভোগ কৰিবলৈ নাপাই বহুসংখ্যক লোকে ৰাজ্য চৰকাৰৰ লগতে প্ৰশাসনক চোকা ভাষাৰে সমালোচনাও কৰে।

# Dainik Yugsankha

## MONDAY, 24 FEBRUARY 2025

# মাদলের মাদকতা, ঝুমুরে আদিবাসীদের স্পন্দন



**বীরেশ্বর দাস. গুয়াহাটি।** ২৪ ফেব্রুয়ারি

মাদলের মাদকতায় ছেয়ে গেল গোটা স্টেডিয়াম। লাল পেড়ে সাদা শাড়িতে সহস্র শরীর যখন একসঙ্গে নাচছে, কোমর দুলছে ঝুমুরের ছন্দে, সেই দৃশ্য ভাষায় বর্ণনা করা সত্যিই দুরূহ। অসমের দুশো বছর পুরনো এক জনগোষ্ঠীর এই নৃত্য শৈলী দেখে আর থাকতে পারেননি দেশের প্রধানমন্ত্রীও। উঠে দাঁড়িয়ে দু-হাত তুলে নাচতে শুরু করলেন ঝুমুরের তালে-তালে। আর পাশে বসে মুখে পরিতৃপ্তির হাসি নিয়ে তখন হাতে তালি দিচ্ছেন মুখ্যমন্ত্রীও। কারণ, তাঁর স্বপ্ন তখন সাকার হয়ে অসমের আলো ছড়িয়ে দিচ্ছে দেশ-বিদেশে।

সহস্র মাদল যখন বেজে উঠছে, তখন চায়ের সুবাসও ছড়াচ্ছে গোটা স্টেডিয়ামে। শহুরে জীবনে সেই সুবাস ছড়িয়ে দিলেন চা বাগান থেকে আগত এক ঝাঁক কিশোর-কিশোরী। চা উপজাতি জনগোষ্ঠীর পরম্পরাগত ঝুমুর নৃত্য অবশ্য নতুন কিছু নয়। শরৎ কালে, ফসলের মরশুমে, করম পুজোর সময় বাগানে-বাগানে সেই দৃশ্য দেখা যায়। কিন্তু ঝুমুর নৃত্যকে এভাবে কবে, কোথায়, কে মহামঞ্চে তুলে ধরার প্রয়াস নিয়েছে?

চা উপজাতির লোকেরা ছড়িয়ে রয়েছেন ■ পৃষ্ঠা-৩

# অ্যাডভান্টেজ আসাম ২.০-এর সাফল্যে আত্মবিশ্বাসী জয়শঙ্কর



যুগশঙ্খ প্রতিবেদন, গোলাঘাট। ২৪ ফেব্রুয়ারি বিদেশ মন্ত্রী এস জয়শঙ্কর অ্যাডভান্টেজ আসাম ২.০ শীর্ষ সম্মেলনে দৃঢ় আস্থা প্রকাশ করেছেন। তিনি জোর দিয়ে বলেছেন যে, এই উদ্যোগ রাজ্যে সফলভাবে বিশ্ব বিনিয়োগ আকর্ষণ করবে। তিনি ৪৫টি দেশের মিশন প্রধান এবং রাষ্ট্রদূতদের অংশগ্রহণের কথা তুলে ধরে উল্লেখ করেছেন যে, তাদের উপস্থিতি আসমের অর্থনৈতিক সম্ভাবনার প্রতি ক্রমবর্ধমান আন্তর্জাতিক আগ্রহের উপর ■পৃষ্ঠা-৬

## অ্যাডভান্টেজ আসাম ২.০-এর

জোর দিয়ে যাচ্ছে। তিনি আরও উল্লেখ করেছেন যে, ভারতের 'অ্যাক্ট ইস্ট' নীতিতে আসমের মুখ্য ভূমিকার কারণে 'অ্যাক্ট ইস্ট' দেশগুলির শীর্ষ সম্মেলনের উপর বিশেষ ফোকাস রয়েছে। সাংবাদিকদের সাথে কথা বলার সময় জয়শঙ্কর বলেন, "৪৫টি দেশের মিশন প্রধান এবং রাষ্ট্রদূতরা আমাদের সাথে এসেছেন, ১৫-২০ জন দূতের সাথে আলাদাভাবে। এটি ভারত এবং অসমের প্রতি বিশ্বের ক্রমবর্ধমান আগ্রহকে তুলে ধরতে সক্ষম হবে। আমি বিশ্বাস করি, তারা একটি দুর্দান্ত অভ্যর্থনা পাবে, মূল্যবান অন্তর্দৃষ্টি অর্জন করবে এবং তাদের উৎসাহ বাড়বে।"

অ্যাডভান্টেজ আসাম ২.০তে অংশ নিতে অসমে আসা বিদেশমন্ত্রী এস জয়শংকর ৪৫টি দেশের প্রতিনিধিদের নিয়ে সোমবার সাতসকালেই কাজিরঙা জাতীয় উদ্যানের নৈসর্গিক দৃশ্যের সাক্ষী হন। হাতি সাফারির পাশাপাশি জিপ সাফারিও করেন জয়শংকররা। শীর্ষ সম্মেলনের আগে, জয়শঙ্কর এবং পরিদর্শনকারী কূটনীতিকরা কাজিরঙা জাতীয় উদ্যানে হাতি সাফারিতে যাত্রা করেন, অসমের সমৃদ্ধ জীববৈচিত্র্য এবং পর্যটন সম্ভাবনা প্রদর্শন করে। তিনি কাজিরাঙায় পর্যটকদের ক্রমবর্ধমান সংখ্যার প্রশংসা করেছেন, যা ইতিমধ্যেই তিন লক্ষ দর্শক অতিক্রম করেছে, প্রধানমন্ত্রী নরেন্দ্র মোদির অন্তর্দৃষ্টিশীল পর্যটনের জন্য চাপের সাথে সামঞ্জস্য রেখে। অ্যাডভান্টেজ আসাম ২.০ শীর্ষ সম্মেলন, ২৫-২৬ ফেব্রুয়ারি খানাপাড়া ভেটেরিনারি কলেজ ফিল্ড নির্ধারিত,যা স্বাভাবিকভাবেই রাজ্যের অর্থনৈতিক বৃদ্ধির জন্য একটি যুগান্তকারী ইভেন্ট হতে চলেছে। প্রধানমন্ত্রী নরেন্দ্র মোদি আজ সরুসাজাই স্টেডিয়ামে একটি জমকালো ঝুমুর নৃত্যের প্রত্যক্ষ করবেন, যেখানে রাজ্য জুড়ে ৮০০টি চা বাগানের ৮,৬০০ টিরও বেশি শিল্পী উপস্থিত থাকবেন এবং ২৫ ফেব্রুয়ারি শীর্ষ সম্মেলন উদ্বোধন করবেন।

মেগা ইনফ্রাস্ট্রাকচার অ্যান্ড ইনভেস্টমেন্ট সামিটে বেশ কয়েকজন কেন্দ্রীয় মন্ত্রী, শীর্ষ শিল্পপতি এবং বৈশ্বিক কূটনীতিকদের অংশগ্রহণের সাক্ষী থাকবে। অসমের মুখ্যমন্ত্রী ড.হিমন্তবিশ্ব শর্মা সামিটের রূপান্তরমূলক সম্ভাবনার উপর জোর দিয়ে বলেছেন, "অ্যাডভান্টেজ আসাম ২.০ অসমের উন্নয়নের যাত্রাকে নতুনভাবে সংজ্ঞায়িত করবে। আমরা ইতিমধ্যেই ১ লক্ষ কোটি টাকার বিনিয়োগের প্রস্তাব পেয়েছি, এবং এই সংখ্যা আরও বাড়বে বলে আশা করা হচ্ছে।"

# মাদলের মাদকতা, ঝুমুরে

গোটা দেশে। পশ্চিমবঙ্গ, ওড়িশা, ছত্তিশগড় সর্বত্র। কিন্তু তাদের পরম্পরাগত এই সংস্কৃতির ঝলক, একসঙ্গে আর কোথাও দেখা যায়নি। দেশ জুড়ে ঝুমুরের চর্চাও শোনা যায়নি কখন। কিন্তু গত কয়েক মাসের চেষ্টায় অসম সরকার সেটাই করে দেখিয়েছে। এর পেছনে লুকিয়ে রয়েছে মুখ্যমন্ত্রী হিমন্তবিশ্ব শর্মার পরিশ্রম এবং তাঁর গোটা টিমের দিনরাত কষ্ট। তাই ২০২৩ সালের এপ্রিলে এগারো হাজার শিল্পী-বাদ্যযন্ত্রীর একসঙ্গে বিহু নাচে বিশ্ব রেকর্ড গড়ার পর সোমবার সন্ধ্যা সরুসজাই স্টেডিয়ামে ফের দেখা গেছে সংস্কৃতির ঝলক।

সাড়ে আট হাজার চা উপজাতির শিল্পী একসঙ্গে প্রদর্শন করেছেন ঝুমুর নৃত্য। সন্ধের মুহূর্তে স্টেডিয়ামের সাদা আলোয় চা উপজাতি মেয়েদের নৃত্য শৈলী এক মাদকতা ছড়িয়ে দেয় দর্শকদের মধ্যে। মাদলের তালে নেচে ওঠে থচাখচ ভর্তি গোটা স্টেডিয়াম। যেখানে ছিল চা বাগানের গন্ধ, দুশো বছরের পুরনো অসম চায়ের গন্ধ। যথার্থই বলছিলেন প্রধানমন্ত্রী, 'চার দিকে দেখছি ঝুমুর নৃত্যের প্রস্তুতি। উৎসাহ, উচ্ছাস, উল্লাসে ভরে রয়েছে গোটা স্টেডিয়াম। সেই প্রস্তুতির মধ্যে রয়েছে চা বাগানের সুগন্ধ, সুন্দরতা। চায়ের সুবাস, রঙ এক জন চায়েওয়ালার চেয়ে ভাল কে জানবে?'

সাড়ে আট হাজার ঝুমুর শিল্পী এবং বাদ্যযন্ত্রীকে বাছাই করা, গুয়াহাটিতে নিয়ে আসা, থাকা-খাওয়ার ব্যবস্থা করা, একসঙ্গে রিহার্সাল দেওয়ানো কষ্টসাধ্য বিষয়। প্রথমে জেলায়-জেলায় রিহার্সাল দিয়ে বাছাই করা হয়েছে শিল্পীদের। তারপর এসেছে গুয়াহাটির পর্ব। সরুসজাই স্টেডিয়ামে গত তিন দিন ধরে সেই আখড়াই চলছে। দফায়-দফায় মন্ত্রীরা গিয়েছেন, মুখ্যমন্ত্রী নিজেও প্রতিদিন গিয়েছেন ঝুমুর নৃত্যের প্রস্তুতি দেখতে। ফলে সম্ভব হয়ে উঠেছে একসঙ্গে ঝুমুর নৃত্যের প্রদর্শনী। চা উপজাতিরা অসম তো বটেই গোটা দেশকে উপহার দিয়েছেন চা বাগানের গন্ধ মাখা, মাদলের মাদকতা ভরা এক অদ্ভুত সন্ধে, যা সহজে ভোলার নয়।

সোমবারের সন্ধ্যা সরুসজাই স্টেডিয়ামে যাঁরা উপস্থিতি ছিলেন না, তারা সম্ভবত কল্পনাও করতে পারবেন না সেই দৃশ্য, যখন 'বাবুর বাগান থেকে ফুল আনব, মালা গাঁথব, পরব দুজনে' বেজে উঠেছে, আর তালে-তালে দোলা খাচ্ছে সহস্র চা উপজাতি শিল্পীর শরীর। সে এক অনন্য দৃশ্য। আধুনিক 'ভিংকচাক' নৃত্যের চেয়ে পরম্পরাগত সেই নৃত্যের সৌন্দর্য-সুবাস দুটোই যেন অধিক। ফলে চা বাগানের ঝুমুর নৃত্য নিয়ে বরাবর আগ্রহ রয়েছে দেশের সংস্কৃতি মহলের। সর্বত্রই চর্চিত ঝুমুর। চা বাগানের এই সংস্কৃতির ঝলক দেখা গেছে সিনেমা জগতেও। ঝুমুরের ছন্দে বহু জনপ্রিয় গানও রয়েছে।

কিন্তু সেখানে এক নতুন বিতর্ক তৈরি করে দিয়েছেন মুখ্যমন্ত্রী। তাঁর দাবি, 'কেউ বলছেন ঝুমুর ছত্তিশগড় থেকে এসেছে, কেউ বলছেন, ঝাড়খণ্ড থেকে। কিন্তু অসমের চা বাগান সন্তানদের অবদানের এক সুন্দর বর্ণনা রয়েছে ঝুমুরের প্রতিটি ছন্দে। চা শ্রমিকরা কী করে অসমে এসে অসম ভূমিকে নিজের মা হিসাবে গ্রহণ করে নিয়েছেন, সেটা রয়েছে ঝুমুরের গানে। তাই ঝুমুর হচ্ছে অসমিয়া সংস্কৃতির উৎকৃষ্ট উপাদান। প্রত্যেক অসমিয়া গর্ব করেন ঝুমুর নিয়ে।'

কিন্তু ঝুমুর অসমের হোক কিংবা ছত্তিশগড়ের সংস্কৃতি- তাতে কিছু যায় আসে না। কারণ, ঝুমুর হচ্ছে চা উপজাতিদের হৃদয়ের স্পন্দন। অসমের ভূমি থেকে যার সুবাস আজ নতুন করে ছড়িয়েছে গোটা দেশে। তাই তো মোদি বলছিলেন, 'সারা দেশ আপনাদের এই নৃত্যের বাহবা দেবে। সব টিভি চ্যানেল অপেক্ষায় রয়েছে কখন শুরু হবে? পুরো দুনিয়া দেখবে আপনাদের এই ভব্য নৃত্য।'

# Niyamiya Brata

## MONDAY, 24 FEBRUARY 2025

**অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপন**

চাহ জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টিৰে উদ্ভাসিত সৰুসজাই ঃ ৮,৮৮৮ শিল্পীৰ নৃত্যানুষ্ঠানেৰে 'ঝুমইৰ বিনন্দিনী'ৰ ইতিহাস

# প্ৰধানমন্ত্ৰীৰ উপস্থিতিত বিশ্ব দৰবাৰলৈ ঝুমুৰ

**বিহুৰ বিশ্ব অভিলেখৰ পাছত আন এক ঐতিহাসিক ক্ষণ, সাক্ষী হ'ল ৬১খন দেশৰ ৰাষ্ট্ৰদূত ঃ ঢোল-মাদল-ধামচা-বাঁহীৰ সুললিত শব্দৰে মুখৰ আকাশ-বতাহ ঃ লাল পাৰীৰ বগা শাড়ী পিন্ধি লছমী-সুকুৰমণি-চামেলীহঁতৰ উলাহ ঃ দৃষ্টিনন্দন লেজাৰ লাইট শ্ব'-আতচবাজী অনুষ্ঠানত মোহাবিষ্ট দৰ্শক-জনতা ঃ অনুষ্ঠানৰ পূৰ্বে বিশেষ বাহনেৰে মোদীয়ে গ্ৰহণ কৰিলে দৰ্শক-শিল্পীৰ অভিবাদন**



ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ চাহ জনগোষ্ঠীৰ বৰ্ণিল সংস্কৃতিৰে আজি উদ্ভাসিত হৈ পৰিল গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পস্থলী। অসমীয়া জাতীয় জীৱনৰ অভিন্ন অংগ চাহ জনগোষ্ঠীৰ লোকসকলৰ স্বাভিমান ঝুমুৰ প্ৰতিষ্ঠিত হ'ল বিশ্ব দৰবাৰত। ৮,৮৮৮ চাহ জনগোষ্ঠীৰ শিল্পীয়ে সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ এথলেটিক ষ্টেডিয়ামত ১৩ পৃষ্ঠাত



Editors.

*প্ৰথম পৃষ্ঠাৰ পৰা*

# প্ৰধানমন্ত্ৰীৰ উপস্থিতিত বিশ্ব দৰবাৰলৈ ঝুমুৰ

প্ৰদৰ্শন কৰা ঝুমুৰ উপভোগ কৰি আন এক ঐতিহাসিক ক্ষণৰ সাক্ষী হ'ল ৰাজ্যবাসী। ঢোল, মাদল, ধামচা, বাঁহীৰ ছন্দৰে গুৱাহাটী মহানগৰীৰ 'আকাশ-বতাহ মুখৰ হৈ পৰিল। ৰঙা পাৰীযুক্ত বগা ৰঙৰ শাড়ী আৰু পৰম্পৰাগত অলংকাৰ পৰিহিত নাচনীৰ নৃত্যত এথলেটিক ষ্টেডিয়ামৰ সেউজ ঘাঁহনিত বিনন্দীয়া পৰিৱেশৰ সূচনা হয়। মন্ত্ৰমুগ্ধ হৈ ষ্টেডিয়ামৰ গেলেৰীৰ পৰা ঝুমুৰ উপভোগ কৰা সহস্ৰাধিক দৰ্শক। ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজন কৰা 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠান বৃহৎ সফলতাৰে অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত শিল্পীসকলে চাহ জনগোষ্ঠীৰ বিনন্দীয়া সংস্কৃতি ঝুমুৰ পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তোলে। বিগত প্ৰায় এমাহজোৰা প্ৰস্তুতিৰ অন্তত সফলতাৰে অনুষ্ঠিত হোৱা 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ জৰিয়তে জাতীয় জীৱনৰ স্পন্দন বিহুৰ পাছত লোকনৃত্য ঝুমুৰক বিশ্ব দৰবাৰত ৰাজ্য চৰকাৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজিৰ এই বিশেষ অনুষ্ঠানৰ বাবে যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা সৰুসজাই ক্ৰীড়া প্ৰকল্পত চূড়ান্ত অনুশীলন আৰম্ভ হৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা গুৱাহাটীলৈ অহা শিল্পীসকলে বিশেষজ্ঞ আৰু মাষ্টাৰ ট্ৰেইনাৰসকলৰ অধীনত ২১ ফেব্ৰুৱাৰীৰ পৰা সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুশীলন আৰম্ভ কৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই উপস্থিত হৈ এই চূড়ান্ত অনুশীলন নিৰীক্ষণ কৰে, যাতে এই অনুষ্ঠান সুকলমে অনুষ্ঠিত হয়। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি দুপৰীয়াৰ ভাগতে সৰুসজাই ক্ৰীড়া প্ৰকল্পত শিল্পীসকল সমবেত হ'বলৈ আৰম্ভ কৰে। পৰম্পৰাগত ৰঙা পাৰীযুক্ত বগা ৰঙৰ শাড়ী আৰু সীতাপাটি, হাচলি, ঝুমকা, চন্দ্ৰহাৰ, পঁইৰী আদি অলংকাৰ পৰিধান কৰি মহিলা শিল্পীসকল ঝুমুৰ নৃত্যৰ বাবে সাজু হয়। সেইদৰে পুৰুষসকলে ধুতী আৰু পাঞ্জাবী কুৰ্তা তথা কামিজ পৰিধান কৰি 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ বাবে এথলেটিক ষ্টেডিয়ামত সমবেত হয়। বিয়লিৰ ভাগৰ পৰাই তেওঁলোকে সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ এথলেটিক ষ্টেডিয়ামত নৃত্য প্ৰদৰ্শনৰ বাবে নিজ নিজ স্থান গ্ৰহণ কৰে। সেই সময়তে প্ৰধানমন্ত্ৰীগৰাকী উপস্থিত হোৱাৰ পাছত কিদৰে নৃত্য আৰম্ভণি হ'ব সেই সন্দৰ্ভত মাষ্টাৰ ট্ৰেইনাৰসকলে কেইবাবাৰো নিৰ্দেশনা প্ৰদান কৰে। ইয়াৰ মাজতে অনুষ্ঠান উপভোগৰ বাবে গুৱাহাটীৰ লগতে ভিন্ন প্ৰান্তৰ পৰা অহা দৰ্শকসকলে ষ্টেডিয়ামত প্ৰৱেশ কৰি গেলেৰীসমূহত আসন গ্ৰহণ কৰে। সকলোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিলৈ অপেক্ষা কৰি ৰয়। সেইমৰ্মে বৰঝাৰ বিমানবন্দৰত বিশেষ বিমানেৰে অৱতৰণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰোড শ্ব' কৰি সন্ধিয়া প্ৰায় ৭ বজাত সৰুসজাই ক্ৰীড়া প্ৰকল্পত উপস্থিত হয়। সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ মূল প্ৰৱেশদ্বাৰৰ পৰা ষ্টেডিয়ামৰ মূল গেটলৈকে সমগ্ৰ পথছোৱাত বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনেৰে প্ৰধানমন্ত্ৰীগৰাকীক আদৰি অনা হয়। ইয়াৰ পাছতে তেওঁ ষ্টেডিয়ামত প্ৰৱেশ কৰে আৰু এখন বিশেষ বাহনত উঠি ষ্টেডিয়ামৰ চৌপাশে পৰিভ্ৰমণ কৰে। বিশেষ বাহনখনেৰে পৰা এই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁক সংগ দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে হাত জোকাৰি গেলেৰীত উপস্থিত থকা দৰ্শকৰ লগতে ঝুমুৰ নৃত্যৰ শিল্পীসকলৰ অভিবাদন গ্ৰহণ কৰে। এক উছৱমুখৰ পৰিৱেশৰ মাজেৰে ষ্টেডিয়ামৰ ফিল্ড বিশেষ বাহনেৰে পৰিভ্ৰমণ কৰি তেওঁ মূল মঞ্চত আসন গ্ৰহণ কৰে আৰু উপস্থিত সকলোকে সম্বোধন কৰে। তেওঁৰ ভাষণৰ পাছতে মূল অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ পূৰ্তি উদ্‌যাপনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই বিশেষ অনুষ্ঠানৰ অন্যতম আকৰ্ষণ ঝুমুৰ প্ৰদৰ্শনৰ লগে লগে দৰ্শকসকলৰ মাজত হৰ্ষোল্লাসৰ সৃষ্টি হয়। চকু জুৰ পেলোৱা, মন শাঁত পেলোৱা নৃত্যৰে শিল্পীসকলে প্ৰধানমন্ত্ৰী মোদী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰি তোলে। শিল্পীসকলৰ এই আকৰ্ষণীয় ঝুমুৰ নৃত্যৰ অনুষ্ঠান দৰ্শকসকলে নিজৰ ম'বাইলৰ কেমেৰাৰে আবদ্ধ কৰি এই স্মৃতি যুগমীয়া কৰি ৰখাৰ চেষ্টা কৰাও পৰিলক্ষিত হয়। ঝুমুৰ নৃত্যৰ পাছতে এক আকৰ্ষণীয় লেজাৰ শ্ব' আৰু আতচবাজীও প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ পৰম্পৰাগত তথা অন্যান্য সাংস্কৃতিক অভিব্যক্তিৰে সমুজ্জ্বল ঝুমুৰ নাচ অসমৰ স্পন্দনশীল তথা প্ৰাণচঞ্চল লোকনৃত্যসমূহৰ অন্যতম। ১৮২৩ চনত ৰবাৰ্ট ব্ৰুচে অসমত চাহ গছৰ সন্ধান পোৱাৰ পাছতে ব্ৰিটিছসকলে অসমৰ জলবায়ু চাহ খেতিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি বৰ্তমানৰ ঝাৰখণ্ড, বিহাৰ, ওড়িশা, পশ্চিমবংগ, ছত্তিশগড়, মধ্যপ্ৰদেশ, তেলেংগানা আদি ৰাজ্যৰ লোকসকলক অসমলৈ আনি চাহ বাগিচাসমূহত নিয়োগ কৰে। কালক্ৰমত তেওঁলোকে অসমত চাহ জনগোষ্ঠী বা আদিবাসী হিচাপে পৰিচিত হয়। ভাৰত স্বাধীন হোৱাৰ পাছত অসমৰ বাগিচাসমূহত এক স্বকীয় সামাজিক ব্যৱস্থা আৰু সংস্কৃতি গঢ়ি তোলা চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ লগতে ৰাজ্যৰ অৰ্থনীতি, সমাজ জীৱন, সংস্কৃতি আৰু ৰাজনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। যুগৰ পৰিৱৰ্তন হোৱা সত্ত্বেও উপযুক্তভাৱে সংৰক্ষণ হৈ অহা ঝুমুৰ লোকনৃত্যই এক স্পন্দনশীল কলাৰ ৰূপ লৈছে। সাধাৰণতে ঝুমুৰ নৃত্য মুকলি স্থানত দলীয়ভাৱে অৰ্ধ-গোলাকাৰ অথবা ৰেখা আকৃতিত শাৰী পাতি পৰিৱেশন কৰা হয়। পুৰুষ আৰু মহিলা উভয়ৰে পৰম্পৰাগত সাজ-পোছাকে ঝুমুৰ নৃত্যক এক অনন্য মাত্ৰাও প্ৰদান কৰি আহিছে। আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বড়া, ৰূপেশ গোৱালাৰ উপৰি ৬১খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতসকলে অংশগ্ৰহণ কৰে। লক্ষণীয় যে বিশ্ব অভিলেখৰ বাবে বিশাল পৰিসৰত বিহু নৃত্য অনুষ্ঠিত কৰাৰ সময়তে ৰাজ্য চৰকাৰে ঝুমুৰ নৃত্যৰ ক্ষেত্ৰতো অনুৰূপ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। সেই মতে আৰম্ভ হৈছিল 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ প্ৰস্তুতি। ইয়াৰ অংশ হিচাপে বাগিচাই বাগিচাই শিল্পী বাছনিৰ লগতে মাষ্টাৰ ট্ৰেইনাৰসকলক বিশেষ প্ৰশিক্ষণ প্ৰদান কৰাও হৈছিল। মাষ্টাৰ ট্ৰেইনাৰসকলক গুৱাহাটীৰ শিল্পগ্ৰামত বিশেষ প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত তেওঁলোকক জিলাই জিলাই প্ৰেৰণ কৰা হয়। জিলাসমূহৰ শিল্পীসকলক মাষ্টাৰ ট্ৰেইনাৰসকলে পুনৰ মূল অনুষ্ঠানৰ প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণৰ অন্তত শিল্পীসকলক যোৱা ২০ ফেব্ৰুৱাৰীত গুৱাহাটীলৈ লৈ অহা হয়। ২১ ফেব্ৰুৱাৰীৰ পৰা সৰুসজাই ক্ৰীড়া প্ৰকল্পত তেওঁলোকে 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ চূড়ান্ত অনুশীলনত অংশ লয় আৰু আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত মূল অনুষ্ঠান পৰিৱেশন কৰি চাহ জনগোষ্ঠীৰ স্বাভিমান ঝুমুৰক আন এক অনন্য মাত্ৰা প্ৰদান কৰিলে। অনুষ্ঠানত ভাষণৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাহ জনগোষ্ঠীৰ জাতি [illegible] কৰে।

## মোদীক উষ্ম আদৰণি



# আজাৰাৰ পৰা সৰুসজাইলৈ বিশাল জনসমাগম

### পৰম্পৰাগত নৃত্য-কলা সংস্কৃতি প্ৰদৰ্শন ঃ হাত জোকাৰি জনতাক সঁহাৰি জনালে প্ৰধানমন্ত্ৰীয়ে

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** ঝুমইৰ বিনন্দিনী আৰু এডভান্টেজ আছাম ২.০ত অংশগ্ৰহণৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে আজি বিয়লি গুৱাহাটী বিমানবন্দৰত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আজি বিয়লি প্ৰায় ৬.১০ বজাত বিশেষ বিমানেৰে বৰঝাৰস্থিত বিমানবন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক ১৩ পৃষ্ঠাত

## আজাৰাৰ পৰা সৰুসজাইলৈ বিশাল জনসমাগম

বিমানবন্দৰতে আদৰণি জনায় ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অতুল বৰা, ৰঞ্জিত দাসকে ধৰি কেইবাজনো মন্ত্ৰী-শীৰ্ষ বিষয়াই। বিমানবন্দৰৰ পৰাই বিশাল কনভয়েৰে সৰুসজাইলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীক আজি সাধাৰণ জনতাই জনালে বিশেষ সম্ভাষণ। প্ৰধানমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰি আজি প্ৰায় দুপৰীয়াৰ পৰাই ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে সমবেত হৈছিল হাজাৰ হাজাৰ লোক। আনহাতে, বিমানবন্দৰতো প্ৰধানমন্ত্ৰীগৰাকীক আদৰিবলৈ আয়োজন কৰা হৈছিল বিশেষ নৃত্য-শিল্পীৰ দল। ৰাজ্যখনৰ গলুৱা তথা পৰম্পৰাগত নৃত্য-গীত আৰু কলা-কৃষ্টিৰে প্ৰধানমন্ত্ৰী মোদী পদাৰ্পণ কৰাৰ পাছতে আদৰণি জনোৱা হয়। বিমানবন্দৰৰ পৰা সৰুসজাইলৈ সাধাৰণ জনতাৰ অভিবাদন গ্ৰহণৰ বাবে ধীৰ গতিৰে প্ৰধানমন্ত্ৰীৰ কনভয় আগবাঢ়ে। এই পথছোৱাত পথৰ দুয়োকাষে থকা হাজাৰ হাজাৰ জনতাই প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পবৃষ্টিৰে আদৰণি জনোৱাৰ লগতে 'প্ৰধানমন্ত্ৰী মোদী জিন্দাবাদ', 'মোদী মোদী' আদি ধ্বনিৰে প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ বিশেষ উৎসাহ প্ৰদান কৰে। প্ৰধানমন্ত্ৰী মোদীয়েও বহি থকা বাহনৰ পৰাই হাত জোকাৰি জোকাৰি ৰাইজৰ উৎসাহক সমৰ্থন জনোৱাৰ লগতে অভিবাদনো গ্ৰহণ কৰে। উল্লেখ্য যে বিমানবন্দৰৰ পৰা পোনে পোনে সৰুসজাইত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে আজি আনুষ্ঠানিকভাৱে ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সন্ধিয়া এডভান্টেজ আছাম ২.০ৰ প্ৰদৰ্শনী মুকলি কৰে। আনহাতে, কাইলৈ পুৱা ১০ বজাত বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি, ৰাষ্ট্ৰদূত, দেশৰ উদ্যোগপতিসকলৰ উপস্থিতিত এডভান্টেজ আছাম ২.০ৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰিব। আজি কৈনাধৰাস্থিত অতিথিশালাত নিশা কটাব প্ৰধানমন্ত্ৰী মোদীয়ে।

বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ দিয়াৰ ঘোষণা ড° শৰ্মাৰ

# চাহ জনগোষ্ঠীয়ে অসমৰ ভাষা-কৃষ্টি-সংস্কৃতিক সমৃদ্ধ কৰিছে

**চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি-'অসমীয়া'ক ধ্ৰুপদী ভাষাৰ মৰ্যাদা-নামৰূপ সাৰ কাৰখানা পুনৰুজ্জীৱিতকৰণৰ বাবে মোদীক কৃতজ্ঞতা**



**ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** ঝুমুৰ অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম উপাদান আৰু এই ঝুমুৰক লৈ প্ৰতিগৰাকী অসমীয়াই গৌৰৱবোধ কৰে।— এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি সন্ধিয়া সৰুসজাই ক্ৰীড়া প্ৰকল্পত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত হোৱা 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানত ১৩ পৃষ্ঠাত

## চাহ জনগোষ্ঠীয়ে অসমৰ ভাষা-কৃষ্টি-সংস্কৃতিক সমৃদ্ধ

ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা উল্লেখ কৰে। বহুতেই ঝুমুৰ ঝাৰখণ্ড, ছত্তিশগড় আদিৰ পৰা অহা বুলি কৰা
মন্তব্যৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ঝুমুৰ অসমৰ চাহ বাগিচাৰ সন্তানসকলে কৰা। তেওঁলোকে
অসমৰ ভূমিক লৈ সুন্দৰ বৰ্ণনা ঝুমুৰত নিহিত হৈ আছে। তেওঁলোকে কেনেকৈ অসমক নিজৰ ৰাজ্য হিচাপে
লৈছে তাৰ বৰ্ণনাও এই ঝুমুৰত আছে। আজিৰ দিনটোত অসমৰ জাতীয় জীৱনৰ ইতিহাসত এক অমৃত উজ্জ্বল
দিন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰায় ২০০ বছৰ পূৰ্বে জীৱিকাৰ তাগিদাত বিহাৰ, পশ্চিমবংগ,
ওড়িশা, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এচাম উদ্যমী, কৰ্মঠ ভাৰতীয়ৰ পবিত্ৰ অসমভূমিলৈ
আগমন হৈছিল। এইসকল লোকে অসমলৈ আহি অসমকে নিজৰ মাতৃভূমি হিচাপে গ্ৰহণ কৰি সময়ৰ সোঁতত
হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। অসমৰ চাহ উদ্যোগৰ প্ৰসাৰত তেওঁলোকে মূল ভূমিকা লৈ দুশ বছৰ
আগেয়ে অসমত উদ্যোগীকৰণৰ এক বিশাল ভেটি নিৰ্মাণ কৰিলে। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অমূল্য
অৱদান আগবঢ়াই কলা-সংস্কৃতি, ৰীতি-নীতিৰে অসমৰ চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলে
অসমীয়া জাতিক সমৃদ্ধ কৰিলে। কালক্ৰমত তেওঁলোকে চাহ জনগোষ্ঠী, আদিবাসী হৈ পৰিল। অসমৰ চাহ
উদ্যোগৰ দুশ বছৰীয়া গৌৰৱময় ইতিহাসৰ সোঁৱৰণ আৰু জনগোষ্ঠীটোৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তাৰ আন্তৰিক
প্ৰয়াস হিচাপে আজি এই ঝুমুৰ প্ৰদৰ্শন কৰা হৈছে। ৮,৮০০তকৈ অধিক যুৱক-যুৱতীৰ দ্বাৰা অসমৰ চাহ জনগোষ্ঠী
লোকৰ ঝুমুৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। আমি গৌৰৱেৰে সৈতে মনত পেলাওঁ অসমৰ সংস্কৃতি আৰু কলা-
কৃষ্টিলৈ অসমৰ চাহ বাগিচা আৰু আদিবাসী লোকৰ সমৃদ্ধ বৰঙণি আছে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে
অসমৰ চাহ বাগিচাৰ লোকসকলে অসমীয়া ভাষাক নিজৰ ভাষা বুলি আদৰি লৈ আমাৰ ভাষা-কৃষ্টি আৰু
সংস্কৃতিক সমৃদ্ধ কৰিছে। আজিৰ এই ঝুমুৰ প্ৰদৰ্শন অসমৰ চাহ বাগিচা আৰু আদিবাসী লোকলৈ অসমবাসীৰ
কৃতজ্ঞতা। অসমৰ ৩ কোটি ৫০ লাখ লোকৰ হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।
ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে চাহ জনগোষ্ঠী আৰু আদিবাসী লোকৰ বাবে তৃতীয় আৰু চতুৰ্থবৰ্গৰ
চৰকাৰী চাকৰিৰ ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। সেইদৰে চাহ বাগিচাত হাইস্কুল নিৰ্মাণ, তিনিখনতকৈ
অধিক আয়ুষ্মান আৰোগ্য মন্দিৰৰ ব্যৱস্থা কৰিছে। চাহ বাগিচাৰ লাইনত কাম কৰা প্ৰতিগৰাকী লোকক ভূমিৰ
অধিকাৰ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। আনহাতে ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ড°
শৰ্মাই তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণৰ পাছত আজি নৰেন্দ্ৰ মোদী প্ৰথমবাৰলৈ অসমলৈ
অহাৰ উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীক অসমবাসী বাইজৰ হৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে
তৃতীয়টো কাৰ্যকালত অসমৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ কাম কৰাৰ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মোদীৰ
প্ৰচেষ্টাৰ বাবেই চৰাইদেউ মৈদামক ইউনেস্ক'বে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান কৰে। সেইদৰে অসমীয়া
ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিলে। নামৰূপ সাৰ কাৰখানাৰ সম্প্ৰসাৰণ লোহেতোত যি সময়ত সাৰ
কাৰখানাটো বন্ধ হোৱাৰ উপক্ৰম হৈছিল, প্ৰধানমন্ত্ৰী মোদীয়ে এইবাৰ বাজেটত সাৰ কাৰখানাটোৰ উৎপাদন
ক্ষমতা ১২ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰিব বুলি ঘোষণা কৰি পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰিছে। মাত্ৰ কিছুদিনৰ
ভিতৰতে প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ বাবে এই তিনিটা বৃহৎ কাম কৰিব। আগন্তুক দিনতো প্ৰধানমন্ত্ৰী মোদীয়ে
অসমবাসীক গৰ্বিত হোৱাৰ সুবিধা প্ৰদান কৰিব বুলি ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

ধামচা বজাই 'ঝুমইৰ বিনন্দিনী' উদ্বোধন প্ৰধানমন্ত্ৰীৰ

# পূৰ্বোত্তৰৰ সংস্কৃতিৰ ব্ৰেণ্ড এম্বেছাডৰ হৈ পৰিছে মোদী নিজেই

**বিজেপি চৰকাৰে অসমৰ বিকাশৰ সমান্তৰালকৈ চাহ জনগোষ্ঠীৰ সেৱাও কৰি আহিছে ৰাজ্য চৰকাৰ-তেজস্বী মুখ্যমন্ত্ৰীক উচ্চ প্ৰশংসা মোদীৰ**

ষ্টাফ ৰিপৰ্টাৰ, ২৪ ফেব্ৰুৱাৰী ঃ 'আদিবাসী সমাজৰ ঐতিহ্য উদ্‌যাপন কৰিবলৈ আমি জনজাতীয় গৌৰৱ দিৱস পালন কৰিবলৈ আৰম্ভ কৰিছিলোঁ। দেশৰ জনজাতীয় সমাজৰ বীৰ-বীৰাংগনাৰ অৱদানক অমৰ কৰিবলৈ ১৩ পৃষ্ঠাত

**চাহৰ সুগন্ধি ৰং এজন চাহৱালাতকৈ কোনে বেছি জানিব**

## পূৰ্বোত্তৰৰ সংস্কৃতিৰ ব্ৰেণ্ড এম্বেছাডৰ হৈ পৰিছে মোদী

আদিবাসী সংগ্ৰহালয় নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।'— এই মন্তব্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। সৰুসজাই ক্ৰীড়া প্ৰকল্পত ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজন কৰা বৰ্ণাঢ্য 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এটা সময়ত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশক উপেক্ষা কৰা হৈছিল আৰু ইয়াৰ সংস্কৃতিক গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ ব্ৰেণ্ড এম্বেছাডৰ স্বয়ং মোদী হৈ পৰিছে। তেওঁ কয়— অসমৰ কাজিৰঙাত নিশা কটোৱা, বিশ্ববাসীক ইয়াৰ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ে অৱগত কৰোৱা প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী মই। কিছুদিন পূৰ্বে আমি অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছোঁ। অসমবাসীয়ে নিজৰ এই ভাষাৰ সন্মানৰ বাবে দশকজুৰি অপেক্ষা কৰি আছিল। সেইদৰে চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰা হৈছে। এইক্ষেত্ৰতো বিজেপি চৰকাৰৰ প্ৰচেষ্টাৰ এক বৃহৎ ভূমিকা আছে। সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী মোদীয়ে বীৰ লাচিত বৰফুকনৰ অৱদানক স্মৰণ কৰে। তেওঁ কয় যে অসমৰ গৌৰৱ বীৰ লাচিত বৰফুকনে মোগলৰ লগত যুদ্ধ কৰি অসমৰ সংস্কৃতি আৰু পৰিচয় ৰক্ষা কৰিছিল। আমি তেওঁৰ ৪০০ বছৰীয়া জন্মজয়ন্তী বৃহৎ পৰিসৰত উদ্‌যাপন কৰিছিলোঁ। গণৰাজ্য দিৱসত লাচিত বৰফুকনৰ প্ৰতীকপট অন্তৰ্ভুক্ত কৰা হৈছিল আৰু দেশবাসীয়ে স্মৰণ কৰিছে। অসমতো তেওঁৰ ১২৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হৈছে। সেইদৰে আদিবাসী সমাজৰ ঐতিহ্য উদ্‌যাপন কৰিবৰ বাবে জনজাতীয় গৌৰৱ দিৱস পালন কৰিবলৈ আৰম্ভ কৰা হৈছে। বিজেপি চৰকাৰে অসমৰ বিকাশৰ লগতে ইয়াৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ সেৱা কৰি আহিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়— চাহ বাগিচাৰ শ্ৰমিকসকলৰ আয় বৃদ্ধিৰ বাবে অসম চাহ নিগমে বোনাছ ঘোষণা কৰিছে। বিশেষকৈ চাহ বাগিচাত কাম কৰা আমাৰ ভগ্নী তথা কন্যা, যিসকল গৰ্ভৱতী হোৱাৰ সময়ত উপাৰ্জনৰ সংকটৰ সৃষ্টি হয়, এনেধৰণৰ ডেৰ লাখ মহিলাক গৰ্ভাৱস্থাত ১৫ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰা হৈছে, যাতে তেওঁলোকে খৰচৰ বাবে চিন্তা কৰিবলগীয়া নহয়। এই পৰিয়ালসমূহৰ সু-স্বাস্থ্যৰ বাবে অসম চৰকাৰে চাহ বাগিচাত ৩৫০তকৈও অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ কৰিছে। চাহ বাগিচাৰ শিশুসকলৰ বাবে ১০০খনতকৈও অধিক মডেল চাহ বাগিচা স্কুল খোলা হৈছে। আৰু প্ৰায় ১০০খন স্কুল নিৰ্মাণ কৰা হ'ব। চাহ জনগোষ্ঠীৰ যুৱকসকলৰ বাবে অ'বিচি শ্ৰেণীত ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থাও আমিয়েই কৰিছোঁ। অসম চৰকাৰেও এই যুৱকসকলৰ স্ব-নিয়োজনৰ বাবে ২৫ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰি আহিছে। চাহ উদ্যোগ আৰু ইয়াৰ শ্ৰমিকসকলৰ এই বিকাশে আগন্তুক সময়ত সমগ্ৰ অসমৰ বিকাশক গতি দিব। আমাৰ উত্তৰ-পূৰ্বাঞ্চলে বিকাশৰ নতুন উচ্চতা স্পৰ্শ কৰিব। চাহ জনগোষ্ঠীৰ ভাষা আৰু অসমীয়াৰে ভাষণ আৰম্ভণি কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ষ্টেডিয়ামত সৃষ্টি হোৱা উছৱমুখৰ পৰিৱেশত মন্ত্ৰমুগ্ধ হৈ পৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে এই ব্যাপক প্ৰস্তুতিয়ে চাহ বাগিচাৰ সুগন্ধি আৰু সুন্দৰতা কঢ়িয়াই আনিছে। আপোনালোকে জানে যে চাহৰ সুগন্ধ আৰু চাহৰ ৰঙক এজন চাহৱালাতকৈ কোনে বুজি পাব। সেয়েহে ঝুমুৰ আৰু চাহ বাগিচাৰ সংস্কৃতিৰ সৈতে আপোনালোকৰ যিদৰে বিশেষ সম্পৰ্ক আছে সেইদৰে তেওঁৰো সম্পৰ্ক আছে। ইমান বৃহৎ পৰিসৰত শিল্পীৰ অংশগ্ৰহণেৰে ঝুমুৰ নৃত্য পৰিৱেশন কৰাৰ লগে লগে ই নিজে নিজেই এক অভিলেখ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৩ চনত বিহু নৃত্য উপভোগ কৰাৰ স্মৃতি ৰোমন্থন কৰে। তেওঁ কয়— ইয়াৰ পূৰ্বে ২০২৩ বৰ্ষত মই যেতিয়া অসমলৈ আহিছিলোঁ তেতিয়া ১১ হাজাৰতকৈও অধিক শিল্পীয়ে একেলগে বিহুনৃত্য প্ৰদৰ্শন কৰি অভিলেখ সৃষ্টি কৰিছিল। সেই দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰোঁ। যিসকলে টিভিত এই অনুষ্ঠান প্ৰত্যক্ষ কৰিছিল তেওঁলোকেও মোক বাৰে বাৰে সেই অনুষ্ঠানৰ বিষয়ে সোঁৱৰাই দিয়ে। আজি পুনৰ এবাৰ তেনে এক দৃশ্যৰ অপেক্ষা কৰি আছোঁ। মই এই সাংস্কৃতিক আয়োজনৰ বাবে অসম চৰকাৰ আৰু তেজস্বী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জ্ঞাপন কৰিছোঁ। চাহ জনগোষ্ঠীৰ ভাষাতে পুনৰ ভাষণ প্ৰদান [illegible]নি তেওঁ এইবুলিও কয় যে আজি অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলৰ সৈতে অসমবাসীৰ বাবে [illegible]ক গৌৰৱৰ দিন। এনেধৰণৰ বিশাল আয়োজনৰ সৈতে অসমৰ গৌৰৱ জড়িত হৈ থকাৰ লগতে ভাৰতৰ মহান [illegible]চিত্ৰও পৰিলক্ষিত হৈছে। মোক অৱগত কৰা হৈছে যে ৬০খনতকৈও অধিক দেশৰ ৰাষ্ট্ৰদূতেও অসমৰ বিষয়ে [illegible]নিবলৈ ইয়াত উপস্থিত হৈছে। তেওঁ চাহ জনগোষ্ঠীৰ ভাষাতে এই প্ৰদৰ্শনৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন [illegible]ৰ। ভাষণৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাহ জনগোষ্ঠীৰ অতি আদৰৰ ধামচা বজাই অনুষ্ঠান উদ্বোধন [illegible]ৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত ৬১খন দেশৰ [illegible]দূতেও 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠান উপভোগ কৰে।

The Assam Tribune
MONDAY, 24 FEBRUARY 2025

# I'm brand ambassador of NE culture, asserts Modi

## Sarusajai comes alive with Jhumoir Binandini



STAFF REPORTER

GUWAHATI, Feb 24: Prime Minister Narendra Modi today asserted that he has been the 'brand ambassador' of the region's culture.

"Assam and Northeast's development and culture were neglected for years. I am the first PM to tell the world about Kaziranaga and its rich biodiversity. The BJP government played a key role in getting the UNESCO World Heritage Site tag for Charaideo Moidams. Assamese language has been given classical status for which the people have been waiting for decades," Modi said addressing performers and spectators ahead of the Jhumoir Binandidni event at Sarusajai stadium.

Acknowledging the "amazing atmosphere at the venue which was filled with enthusiasm, joy and excitement", Modi said the preparations done by the performers were visible throughout and it reflects the beauty and fragrance of tea gardens.

"Who else knows this better than a *chaiwala?* My relation with tea is special," he said.

Modi recalled his visit to Assam to witness the record-making Bihu performance by over 11,000 dancers, and said the spectacle was still fresh in his memory. "I am anticipating a similar performance today. It will showcase Assam's pride and India's diversity. The country will be in awe of the show," he said.

SEE PAGE 2

# I'm brand ...

(Contd from page 1)

He also mentioned about the initiatives taken by the government like observation of Janjatiya Gaurav Divas, setting up of Adivasi museums, etc., to express gratitude to the communities.

Also speaking about measures taken for the welfare of tea tribes like bonus to ATCL workers, grants to pregnant tea tribe women, opening of 350 Ayushman Arogya Mandirs in tea garden areas, establishment of 100 model schools and 3 per cent reservation in job, Modi said these steps will give momentum to Assam's development.

More than 8,800 youths, including female artistes from 800 tea gardens wearing traditional dresses, complemented by exquisite traditional ornaments, such as *sitapati, hachli, jhumka, chandrahar* and *payeri* and male artistes wearing *dhoti*s paired with *kurta-pajama*s made the Jhumoir Binandini a spectacle.

The rhythmic footsteps of the jhumoir dancers echoed through the Sarusajai stadium, weaving an enchanting spectacle of culture and grace. As the dancers spiralled into neat formations before unfurling in perfect synchrony, the crowd watched in silent admiration.

Dressed in vibrant hues of red and white, their traditional attire shimmered against the verdant expanse, evoking the essence of Assam's soulful traditions during the 17-minute performance.

The lilting tunes of jhumoir songs, infused with the spirit of tea gardens, blended seamlessly with the pulsating beats of drums and flutes, created an atmosphere brimming with the glorious tradition of the tea communities of Assam. The measured step and graceful sway enthralled the audience in a spellbinding embrace. The performance concluded with a light show and bursting of crackers.

"Every moment of Jhumoir Binandini was pure magic! This was an experience that touched the soul... I call upon people across India to know more about Jhumoir and the exceptional culture of the tea tribes. Today's programme will be remembered as a monumental effort in this direction," Modi later wrote on X, posting photos of the ensemble.

Chief Minister Himanta Biswa Sarma said the tea tribes, who came to Assam 200 years ago from states like Bihar, Chhattisgarh, Odisha and Jharkhand, adopted Assam as their motherland and became a part of the society, contributing to the making of greater Assamese society. "Their traditions enriched the State's culture further. This jhumoir is Assam's gratitude to the tea tribe," Sarma said.

The Sarusajai Sports Complex, packed with people coming from nook and corner of the State, reverberated with the soul-stirring rhythm of *dhol, madal, dhamsa* and bamboo flute since evening.

Earlier, Modi landed here from Bihar at around 6:15 pm, and a line-up of cultural troupes performed traditional dances at the airport to greet him. Sarma and his Cabinet colleagues received him at the airport.

Modi was greeted by cheers from an enthusiastic crowd on both sides of the road as his convoy moved from the airport to the Sarusajai stadium. He too waved back and acknowledged the crowd.

Ahead of the jhumoir performance, Modi, accompanied by Sarma, moved around the stadium in a decorated vehicle resembling a chariot and waved at the cheering crowd and dancers who waved their hands to the tune of Dr Bhupen Hazarika's *Asom Amar Rupohi*... External Affairs Minister S Jaishanker, around 60 heads of missions, Union ministers Sarbananda Sonowal and Pabitra Margherita, Tripura Chief Minister Manik Saha were among other dignitaries who witnessed the performance.

The Prime Minister will spend the night at the Koinadhara State Guest House. He will return tomorrow after inaugurating the Advantage Assam 2.0 summit.

# The Sentinel

## MONDAY, 24 FEBRUARY 2025



# I'm the brand ambassador of Assam and NE: PM Modi

STAFF REPORTER

**GUWAHATI, Feb 24:** Speaking in front of a gathering of thousands of people at the Jhumoir Binandini at Sarusajai Stadium in Guwahati today, Prime Minister Narendra Modi said that the culture of Assam and the entire Northeast is getting the right focus now with the huge footfall of dignitaries from the rest of the world visiting this once-secluded state and the region.

The Prime Minister said, "There was a time when Assam and the Northeast were neglected in terms of development and culture. However, now I've become the brand ambassador of Assam and the northeastern culture. I'm the first prime minister to have stayed in Kaziranga National Park and promoted its biodiversity to the world."

The Prime Minister said that a few months ago, the Assamese language was granted the status of a classical language, a recognition that the people of Assam had been waiting for decades. Charaideo Maidam has also been included in the UNESCO World Heritage List, a significant achievement attributed to the efforts of the BJP government. The Prime Minister also mentioned legendary Ahom General Bir Lachit Barphukan, who had defended Assamese culture and identity against the Mughals. The great celebrations of the 400th birth anniversary of the legendary general in New Delhi highlighted his contributions, he said.



The Prime Minister said, "There is a reverberating atmosphere filled with energy, enthusiasm, excitement, etc. now at this event that reflects the fragrance and beauty of the tea gardens. Who else can know the fragrance and colour of tea better than a chaiwala? The entire nation is waiting to see and appreciate this dance, let alone Assam."

Enumerating the measures that the Assam government has taken for the welfare of tea tribes, the Prime Minister expressed his confidence that the development of the tea industry and its workers will drive the overall growth of Assam and elevate the Northeast to new heights.

Earlier, in his welcome address, Chief Minister Dr. Himanta Biswa Sarma said, "It's our pride that this is the Prime Minister's first visit to Assam in his third term at the PMO. As the

■ Continued on Page 11

## I'm the brand ambassador of...


Prime Minister, he gave Assam three major gifts: the UNESCO World Heritage Site tag for Charaideo Maidam, the Classical language status of the Assamese language, and the new urea unit at Naamrup. We hope we will continue to get such gifts from him in the future."

On the Jhumoir Binandini, the Chief Minister said, "It's our gratitude to the tea tribes for their contribution to the industry and culture of Assam in the past 200 years. The tea tribes have blended themselves with the Assamese ethnicity and culture. Jhumur is the best instance of the Assamese culture. I believe that Jhumur has its origin in Assam, not in Bihar, Madhya Pradesh, Jharkhand, etc."

Heads of missions of over 50 countries, External Affairs Minister S. Jaishankar, Union Minister Sarbananda Sonowal, Assam Governor Lakshman Prasad Acharya, Tripura Chief Minister Manik Saha, and others were present at the function.

The Jhumoir Binandini, billed as the largest folk dance performance, featured 8,800 Jhumur dancers from the tea garden community dancing to the beat of traditional instruments like dhol, madal, dhamasa and bamboo flute.






Clippings:
Senthony Narzary
Assistant Librarian
Assam Legislative Assembly, Secretariat